Digitized by Arya Samaj Foundation Chennai and eGangotri

কপিলীপাৰ কছাৰীপাৰ

ড° নৰেন কলিতা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

D—7921



CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কপিলীপাৰ কল্যাৰীপাৰ

DONATION

7921

ড° নৰেন কলিতা

পুস্তকালয়
পুস্তকালয়
গুরুকুল কাংড়ী বিশ্ববিদ্যালয়

গীত-পদ
ৰুদ্ৰৰাম বৰদলৈ পথ ঃ নগাঁও-৭৮২০০২

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

KAPILIPAR KACHARIPAR

The valleys of Kapili and Jamuna lying on the south and southwest of Nagaon district in Assam have preserved numerous sculptures of iconographic and aesthetic interest.

The monograph writen by Dr. Naren Kalita presents an analysis of the sculptures as things of beauty with the aid of numerous illustrations and introduces past heritage of Assam.

First Published, Feb. 1986
Published by GEET-PAD
Nagaon-782002, Assam

Price—Delux Rs. 80.00
General Rs. 50.00

প্ৰকাশক : গীত-পদ, ৰুদ্ৰৰাম বৰদলৈ পথ
হয়বৰগাঁও, নগাঁও—৭৮২০০২
প্ৰথম প্ৰকাশ : ফেব্ৰুৱাৰী, '৮৬
মুদ্ৰণ : বিস্ময় প্ৰিণ্টাৰ্চ, হেদায়েৎপুৰ
গুৱাহাটী-৭৮১০০৩

মূল্য : শোভন সংস্কৰণ : ৮০.০০ টকা
জনপ্ৰিয় সংস্কৰণ : ৫০.০০ টকা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কপিলীপাৰ কছাৰীপাৰ

অঞ্চলটোৰ ইতিহাস বা সাংস্কৃতিক বুৰঞ্জী ইয়াত ধৰি ৰাখিব খোজা নাই। কেৱল প্ৰাচীন ভাস্কৰ্য কিছুমান থুপাই লৈ তাৰ বুকুতে চাব খুজিছোঁ শিল্পীসকলৰ চিন্তাক আৰু বস্তুসৌন্দৰ্যৰ প্ৰতি থকা তেওঁলোকৰ দৃষ্টিভংগী। তাকে বিচাৰিবলৈ যাওঁতে বুৰঞ্জীৰ এচকল-আদচকল, শিল্পীসকলে বসবাস কৰা সমাজখনৰ এটা দুটা কথা মাথোন প্ৰয়োজনত টান মাৰি আনিব লগা হৈছে।

ভাস্কৰ্যবোৰকো শাস্ত্ৰৰ বিধি-বিধান মতে বিচাৰ কৰিব খোজা নাই। শিল্পৰূপ হিচাপে এইবোৰে আমাৰ হৃদয়ৰ কাৰণে কি লৈ ৰৈ আছে, তাকে নিজৰ আবেগৰ লগত মিলাই চাই ক'ব খুজিছোঁ অতি সংক্ষিপ্তভাবে। শিল্প বুলিলেই সৌন্দৰ্যৰ কথা আহে। মোৰ কাৰণে যিটো ধুনীয়া, আনৰ কাৰণে হয়তো সেইটো আপচু হ'ব পাৰে; সেইদৰে আপচুটোৰেও মোৰ হৃদয়-উপলব্ধিৰ কিবা সুবিধা লৈ আগশাৰীত বহি থাকিব পাৰে; উভয় ক্ষেত্ৰতে শিল্পৰূপ এটা বিচাৰ কৰাত মোৰ নিজৰ অযোগ্যতাই নিশ্চয় জগৰীয়া হৈ থাকিব। ন. ক.

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৃতজ্ঞতা ঃ

চিত্ৰ ১০, ১৪ ১৮ আৰু ঢাকনীপাতৰ পোহৰ-ছবিৰ বাবে ৰাজ্যিক সংগ্ৰহালয় সঞ্চালকালয়লৈ।

চিত্ৰ ১৩, ২০, ২১, ২২, ২৭ আৰু ৩৬-অৰ পোহৰ-ছবিৰ বাবে ৰাজ্যিক পুৰাতত্ত্ব সঞ্চালকালয়লৈ। সঞ্চালক গুনীন ভূঞা, গৱেষক ড° প্ৰদীপ শৰ্মা, ড° নিশিপদ চৌধুৰী, চেৰেকানিৰ কমলচন্দ্ৰ শইকীয়া, কামপুৰৰ ধীৰেন কাকতি, মহেন্দ্ৰ বৰকাকতি, চাংচকীৰ মুনীন্দ্ৰ বৰা, গোপাল বৰা, থুলেশ্বৰ বৰা আৰু গুণ কাকতি, কাৰৈমাৰীৰ প্ৰবোধ নাথ আৰু ভুবনেশ্বৰ হাজৰিকা, ৰহাৰ কালীপ্ৰসাদ ডেকালৈ।

ঢাকনীপাতখিলা সজাই-পৰাই দিয়াৰ বাবে ধ্ৰুব ডেকালৈ আৰু লগতে উৎপল দত্ত, বেণু মিশ্ৰলৈ, শিল্পীবন্ধু প্ৰণব বৰুৱা, মাণিক বৰা, শশী ফুকন, মোহিনী বৰুৱা, নাৰায়ণ দাস আৰু বিস্ময় প্ৰিন্টাৰ্চৰ মুনীন শৰ্মা আৰু পদ্ম নাথলৈ।

গ্ৰন্থ-সূচী

Background of Assamese Culture : R. M Nath.
Early History of Kamarupa : K. L. Barua
History of Assam : Gait
A Source Book of Archaeology in Assam : Kamarupa Arusandhan Samiti
Readings in the History and Culture of Assam : do
Archaeology of the Brahmaputra Valley : Dr. R. D. Chaudhury
Historical Archaeology of Central Assam : Dr. N. D. Chaudhury
Kirata-Jana-Kriti : Dr. S. K. Chatterjee.
The Khasis : P. R. Gurdon
Hymans of Sankara - T. M. P. Mahadevan
কালিকা-পুৰাণ : সম্পাদনা : বিশ্বনাৰায়ণ শাস্ত্ৰী
নিবন্ধমালা : সম্পাদনা : মহেশচন্দ্ৰ দেৱগোস্বামী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জান (শুচিব্ৰতা)
সোণ (ইমন)
লাটু (দেৱল)

কপিলীপাৰ কছাৰীপাৰ
তোমালোকৰ।

দেউতা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

"Forwarded free of cost, and with the compliments of the Department of Education Government of India, New Delhi."

কপিলীপাৰ কছাৰীপাৰ

প্ৰাচীন সভ্যতাৰ নিদৰ্শন দাঙি ধৰিব পৰা অসমৰ বিশিষ্ট অঞ্চলবোৰৰ ভিতৰত কপিলীপাৰ অন্যতম। কালিকা-পুৰাণত (৭৪/১৪৬) গংগাৰ দৰে পবিত্ৰ কপিল-গংগিকা নামৰ এখন নদীৰ উল্লেখ আছে। বৰ্তমানৰ কপিলী নদীকে ৰাজমোহন নাথে কপিল-গংগিকা বুলি চিনাক্ত কৰিছে। উত্তৰ কাছাৰৰ পৰা ওলাই নদীখনে নগাওঁ জিলাৰ দক্ষিণ আৰু দক্ষিণ-পছিম অঞ্চল উৰ্বৰা কৰি তুলিছে। অঞ্চলটোৰ মাজেৰে বৈ যোৱা কপিলীয়েই ইয়াৰ প্ৰধান নৈ হোৱাৰ কাৰণে তাৰ দুয়োপাৰে বিকশিত হোৱা সভ্যতাটোক কপিলীপাৰৰ সভ্যতা বুলি ক'ব পাৰি। কপিলীৰ উপৰিও আন এখন উল্লেখযোগ্য নদী হৈছে যমুনা। যমুনামুখত এই নদীখন আহি কপিলীৰ লগত মিলি গৈছে। কপিলীয়ে সামৰি লোৱা এই নদীখনৰ পাৰতো হাওৰাঘাটৰ পৰা ডবকালৈকে সমগ্ৰ অঞ্চলত অসংখ্য প্ৰাচীন কীৰ্তিচিহ্ন আছে। ঐতিহাসিক কালত কপিলী-যমুনাৰ পাৰত কছাৰী ৰাজবংশই দীৰ্ঘদিন শাসন কৰিছিল। কছাৰীসকলে ৰাজত্ব কৰাৰ কাৰণে অঞ্চলটো কছাৰীপাৰৰ বুলিও জনসমাজত প্ৰসিদ্ধ।

ভাৰত বুৰঞ্জীত পোন প্ৰথমবাৰৰ কাৰণে কছাৰীপাৰৰ ডবাক (বৰ্তমান ডবকা) ৰাজ্যৰ উল্লেখ পোৱা যায় গুপ্ত-সম্ৰাট সমুদ্ৰগুপ্তৰ (৪ৰ্থ শতিকা) দিনত। এলাহাবাদত পোৱা সমুদ্ৰগুপ্তৰ স্তম্ভলিপিত কামৰূপ-নেপাল আদিৰ লগতে প্ৰত্যন্ত ৰাজ্য হিচাপে ডবকাৰ উল্লেখ আছে। এই ৰাজ্যসমূহৰ ৰজাসকলে গুপ্ত-সম্ৰাটৰ প্ৰাধান্য মানি চলিছিল। স্বাভাৱিকতে এই সংযোগৰ কাৰণে প্ৰথমবাৰৰ কাৰণে ভাৰতীয় হিন্দু-সভ্যতা আৰু শিল্পৰীতিৰ লগত কছাৰীপাৰৰ চিনাকি ঘটিছিল।

ভাৰতবৰ্ষৰ সোণালী যুগতে ৰাজ্য হিচাবে ডবকাই স্থিতিলাভ কৰাটো নিশ্চয় মুহূৰ্তৰ ঘটনা হ'ব নোৱাৰে। ইয়াৰ বহু আগৰ পৰাই নিশ্চয় ডবকাক কেন্দ্ৰ কৰি ৰাজতন্ত্ৰৰ বিকাশ ঘটিছিল। ত্ৰিপুৰাৰ ৰাজমালাত উল্লেখ কৰা হৈছে যে অতি প্ৰাচীন কালত ত্ৰিপুৰা বংশৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এজন ৰজা প্ৰতৰ্দনে কপিলীপাৰত কিৰাতসকলক পৰাজিত কৰি ৰাজপাট কৰিছিল আৰু কালক্ৰমত প্ৰাচীন সেই ত্ৰিপুৰাৰাজ্যৰ উত্তৰত থকা কছাৰী ৰাজ্যৰ ৰজা দৃক্‌পতিয়ে ত্ৰিপুৰাৰাজ দক্ষিণক পৰাজিত কৰি কপিলীপাৰলৈকে কছাৰী ৰাজ্য বহলাই লৈছিল। ত্ৰিপুৰীসকলে চিৰ কালৰ কাৰণে কপিলীপাৰ এৰি দক্ষিণফাললৈ গুচি গৈছিল।

টিপ্ৰা (সংস্কৃতকৰণ ত্ৰিপুৰা) আৰু কছাৰী একেই বড়ো-গোষ্ঠীৰ। পূব ভাৰতৰ এই জনগোষ্ঠীৰ লোকসকলক ভাৰতৰ প্ৰাচীন পুৰাণ-কাব্যত কিৰাত বুলি জনা যায়। টিপ্ৰাসকল দক্ষিণী বড়ো আৰু কছাৰীসকল উত্তৰৰ বড়ো। দুয়ো দলৰ ৰাজবংশৰ মাজত বৈবাহিক সম্পৰ্কও ঘটিছিল আৰু ৰাজমালাই উল্লেখ কৰা মতে কছাৰী ৰজা দৃক্‌পতি ত্ৰিপুৰা ৰাজবংশৰ সন্তান আছিল যদিও কছাৰী ৰাজ-পৰিয়ালৰ লগত বৈবাহিক সম্পৰ্কৰ বাবেই তেওঁ কছাৰী ৰাজ্যখনো লাভ কৰিবলৈ সমৰ্থ হৈছিল। আখ্যানটোৰ ঐতিহাসিক মূল্যৰ ওপৰত সন্দেহ থাকিলেও এইটো ঠিক যে অতি প্ৰাচীন কালতে কপিলী-যমুনাৰ পাৰত আৰ্যভিন্ন কিৰাতগোষ্ঠীৰ কছাৰী ৰাজ্য এখনৰ বিকাশ ঘটিছিল। সমুদ্ৰগুপ্তৰ দিনত ডবকা তেনে এখন কছাৰী ৰাজ্য হোৱাই সম্ভৱ। এওঁৰ ৰাজত্ব কালৰ পিছত আনুমানিক ৪২৮ খৃষ্টাব্দলৈকে এই ৰাজ্যখনৰ স্বকীয়া অস্তিত্বৰ বিষয়ে জানিবলৈ পোৱা যায়। এই সময়তে কপিলীপাৰৰ চন্দ্ৰপ্ৰিয় নামৰ ৰজা এজনে চীন দেশলৈ কটকী এজন পঠাইছিল। চীনদেশৰ লগত ৰাজ্যখনৰ কটকী-পৰ্যায়ত যোগাযোগ কৰাৰ গুৰিতে হয়তো ৰাজনৈতিক মিত্ৰতা স্থাপন কৰাৰ কোনো উদ্দেশ্য থাকিব পাৰে। ধাৰণা কৰিব পাৰি যে ইয়াৰ কাষৰীয়া ৰাজ্য কামৰূপত পুষ্যবৰ্মাই বৰ্মন বংশৰ ৰাজত্ব সূচনা কৰাৰ পিছত ইয়াৰ স্বতন্ত্ৰতাৰ প্ৰতি কামৰূপ ৰাজ্যৰ পৰা ভাবুকি অহাৰ সম্ভাবনা দেখা দিছিল। উল্লেখযোগ্য যে ষষ্ঠ শতিকাৰ মাজভাগত কামৰূপৰ ৰজা মহাভূতবৰ্মাই ডকমকাৰ ওচৰৰ বৰগংগাত তেওঁৰ এজন আঞ্চলিক শাসনকৰ্তা নিয়োগ কৰাৰ কথা সেই ঠাইত পোৱা শিলৰ ফলিখনত পোৱা যায়। লোকজনৰ নাম আৰ্যগুণ আৰু তেওঁ ৫৫৪ খৃষ্টাব্দত বৰগংগাত এখন আশ্ৰম পাতিছিল। সংস্কৃত ভাষাত লেখা এই ফলিখনত আছে— 'স্বস্তি শ্ৰীপৰমদৈবত পৰমভট্টাৰক মহাৰাজাধিৰাজাশ্বমেধযাজিন্ শ্ৰীভূতিবৰ্মস্য পাদানাং সং ২০০-৩০-৪ মা বিষয়ামাত্য আৰ্যগুণস্য ইদং আশ্ৰমং' অৰ্থাৎ 'পৰম দেৱভক্ত পৰমভট্টাৰক অশ্বমেধযজ্ঞকাৰী শ্ৰীমহাভূতবৰ্মাৰ স্থানীয় মন্ত্ৰী আৰ্যগুণে ২৩৪ গুপ্তাব্দৰ (৫৫৪ খ্ৰীষ্টাব্দ) মাঘ মাহত এই আশ্ৰম স্থাপন কৰিলে'। শিলালিপিখনে প্ৰমাণ কৰে যে মহাভূতবৰ্মাৰ দিনত কপিলী চেৰাই যমুনাৰ পাৰলৈকে সমগ্ৰ ৰাজ্যখণ্ড কামৰূপৰ ভিতৰত আছিল। হয়তো মহাভূতবৰ্মাই বা তেওঁৰ আগৰ কোনো ৰজাই কপিলী-যমুনাৰ পাৰ কামৰূপৰ ভিতৰুৱা কৰি লৈছিল। সেই দিশৰ পৰা কপিলীপাৰৰ ৰজাই চীনদেশলৈ কটকী পঠোৱাৰ তাৎপৰ্য বিচাৰ কৰি চাব পাৰি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সাংস্কৃতিক ক্ষেত্ৰত কপিলী-যমুনাৰ কছাৰীপাৰ কামৰূপৰ ভিতৰুৱা হোৱাত এই অঞ্চললৈ ভাৰতীয় হিন্দু-সভ্যতা আৰু সংস্কৃতিৰ সোঁত ব'বলৈ ধৰে। অঞ্চলটোৰ কাৰ্বি, কছাৰী, খাছী, গাৰো, তিৱা আদি আদিম জনসমষ্টি সাংস্কৃতিক গোষ্ঠী হিচাপে কিৰাত বা তিব্বত-বৰ্মী। খাছীসকল জাতিগোষ্ঠী হিচাপে তিব্বত-বৰ্মী আৰু ভাষাগোষ্ঠী হিচাপে অষ্ট্ৰিক। অষ্ট্ৰিকসকল তিব্বত-বৰ্মীসকলৰো বহু আগতে অসমলৈ আহিছিল। কপিলী নামটোৱেই অষ্ট্ৰিক-ভাষী খাছীসকলৰ বুলি শ্ৰীনগেন বৰুৱাই উল্লেখ কৰিছে। গৰ্ডন চাহাবে উল্লেখ কৰিছে যে জয়ন্তীয়াসকলে কপিলীক দেৱী বুলি বিশ্বাস কৰিছিল আৰু নৰবলিও দিছিল। জয়ন্তীয়া ৰাজবংশ হিন্দু হোৱাৰ পিছত কালীয়ে কপিলীৰ স্থান গ্ৰহণ কৰে। ছিনটেংসকলেও কপিলীক ভক্তি কৰে আৰু তেওঁলোকৰ বহুতে কপিলী পাৰ হ'বলগীয়া হ'লে ছাগলী-কুকুৰা বলি দিহে পাৰ হয়। খাছীসকলৰ সৰ্প-কেন্দ্ৰীক অন্ধবিশ্বাস আৰু ইন্দ্ৰজালৰ বিষয়েও গৰ্ডন চাহাবে উল্লেখ কৰিছে। এসময়ত সৰ্পদেৱী মনসা-পূজাত খাছী বা অষ্ট্ৰিকসকলৰ অৰিহণা থকা সম্ভৱ। যোগীজানৰ ওচৰৰ শংখাদেৱী মন্দিৰৰ দুৱাৰশাখাত কুণ্ডলীপকোৱা গাৰে সৰ্প-কন্যাৰ (চিত্ৰ ১) আৰু ডবকাৰ ওচৰৰ গছতলত পোৱা দুৱাৰশাখাত একেই কুণ্ডলী-



চিত্ৰ ১ ॥ দ্বাৰ-শিৰপট্টিত সৰ্পকন্যা, শংখাদেৱী-মন্দিৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ২ ॥ দুৱাৰ-শাখা, গছতল। সৰ্পৰ দেহ-বন্ধনৰ গতিশীলতাই শাখাৰ স্থিৰ ৰূপটোকো গতি দিব পাৰিছে।

পকোৱা সৰ্প (চিত্ৰ ২) শিলৰ বুকুত খোদিত কৰা আছে। সৰ্পকন্যা আৰু সৰ্পই স্থাপত্যত স্থান পোৱাৰ গুৰিত খাছী-অনুপ্ৰেৰণা থকা সম্ভৱ। লংকা, লামডিং আদি ঠাইৰ নামতো অষ্ট্ৰিক প্ৰভাৱ আছে। অষ্ট্ৰিকসকলৰ পিছত তিব্বত-বৰ্মী, ডিমাছা-কছাৰীসকলো কছাৰীপাৰৰ ঠাই, নদী আদিৰ নামৰ লগত জড়িত হৈছিল। খাছীসকলে কপিলীক ভক্তি কৰাৰ দৰে ডিমাছা-কছাৰীসকলে ডিজেন বা যমুনাক শ্ৰদ্ধা-ভক্তি কৰিছিল আৰু ডিজেনব্ৰাত (কপিলী-যমুনাৰ সংগমস্থলত) একালত নৰবলি দিছিল। প্ৰতি ভাগত ছটাকৈ তিনি ভাগত মুঠ ১৮ৰটা চাকি সজাই ডেমেৰা অঞ্চলৰ ডিমাছা লোকসকলে কপিলীত আই-পূজা কৰি আহিছে। এওঁলোকৰ উপৰিও তিৱা, কাৰ্বি, গাৰো আদি তিব্বত-বৰ্মী লোকসকলেই কছাৰীপাৰৰ প্ৰাচীন সমাজ-জীৱন নিজৰ নিজৰ লৌকিক আচাৰ-অনুষ্ঠান, ৰীতি-নীতি আৰু ধৰ্মবিশ্বাসেৰে বিচিত্ৰ কৰি তুলিছিল। প্ৰাচীন কামৰূপৰ মাজেৰে ভাৰতীয় হিন্দু সংস্কৃতি, তাৰ বাহক ব্ৰাহ্মণ আৰু সংস্কৃত ভাষা আহি পোৱাৰ সময়ত তেনে এখন সমাজেই আছিল কছাৰীপাৰত। মৃতকৰ স্মৃতিত প্ৰকৃতি শিলৰ ওপৰত পুৰুষ শিল স্থাপন কৰি প্ৰজনন আৰু ভূমি উৰ্বৰা কৰাৰ বিশ্বাস, সমাজত নাৰীক বিশেষ মৰ্যাদা দি ৰখা, ঐন্দ্ৰজালিক শক্তিৰ ওপৰত বিশ্বাস কৰা, খাদ্য-পেয়ৰ ভিতৰত মদ-মাংসৰ ব্যৱহাৰ, নৰবলি, জড় আৰু প্ৰকৃতি-পূজা আদি এইখন সমাজৰ কিছুমান বৈশিষ্ট্য। এইখন সমাজৰ কাৰণে ইয়াতকৈ উন্নততৰ আৰ্যসমাজ আৰু সংস্কৃতি একেবাৰে আচহুৱা। একেদৰে আৰ্য-সংস্কৃতিৰ বাহকসকলৰ কাৰণেও এই সমাজখন আচহুৱা। এনে এখন আচহুৱা সমাজৰ পৰিৱৰ্তন ঘটাবলৈ উন্নততৰ সংস্কৃতিৰ জোৰ লৈ অহা মানুহখিনিয়ে স্থানীয় জনগোষ্ঠীৰ ধৰ্ম-বিশ্বাস আৰু পৰম্পৰাক স্বীকৃতি দি এৰা-ধৰাৰ মাজেৰে নিজৰ ধৰ্ম-বিশ্বাস আৰু পৰম্পৰাৰ মাজত সুমুৱাই লোৱাটোৱেই স্বাভাবিক। হাটন চাহাবে এযাৰ ভাল কথা কৈছে যে যিহেতু স্থানীয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri





চিত্ৰ ৩ ॥ দ্বাৰপাল, বৰগংগা। স্বচ্ছন্দ প্ৰবাহিত ডৌলৰেখাই দেহডৌল তৎপৰ (accentuated) কৰি তুলিছে। কাষত মূৰ্তিটোৰ ৰেখাচিত্ৰ।

জনগোষ্ঠীৰ পুৰোহিতসকলেহে নিজৰ মাটিৰ দেৱ-দেৱীক কেনেদৰে পূজা-সেৱা কৰিব লাগে তাক ভালদৰে জানে, সেয়ে বিজিতৰ ধৰ্ম-চিন্তাই বিজেতাৰ ধৰ্ম-চেতনাৰ ওপৰত সহজতে প্ৰাধান্য বিস্তাৰ কৰে। অসমত শৈৱ-শাক্ত আদি ধৰ্ম গঢ় দিয়াৰ ক্ষেত্ৰত বিজেতাতকৈ বিজিতৰ মানসিকতাই প্ৰাধান্য পোৱা দেখিবলৈ পোৱা যায়। সেয়ে এইবোৰ দেৱ-দেৱীৰ পূজাত নৰবলি, পশুবলি, মন্ত্ৰ-সাধনা আদি বিজিতৰ ভালেখিনি বস্তু সোমাই পৰিছিল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ৪ ॥ শিলৰ বুকুত অগভীৰ দেহডোলেৰে লোকদেৱতা শিৱ, বুঢ়াগোসাঁই থান।

কিন্তু আৰ্য হিন্দু-উৎসৰ পৰা অহা শিলৰ স্থাপত্য-ভাস্কৰ্য আদিয়ে সাধাৰণ সমাজখনৰ অনুৰাগ সিমানকৈ পাব পৰা নাছিল বুলি ধৰিব পাৰি। ব্যয়বহুল স্থাপত্য-ভাস্কৰ্য আদিৰ প্ৰতি পৃষ্ঠপোষকতা কেবল অভিজাত ৰাজপৰিয়ালৰ পৰাই আহিছিল। বৰ্মন বংশৰ দিনত কামৰূপৰ ৰাজপৰিয়ালৰ শাসন-কেন্দ্ৰ আছিল প্ৰাগজ্যোতিষপুৰত আৰু এওঁলোকৰ পিছত শালস্তম্ভ আৰু ভৌমপাল বংশৰ দিনত হাৰূপেশ্বৰ (তেজপুৰ), দুৰ্জয়া (যোগীজান-হোজাই) আদি অঞ্চললৈ শাসনকেন্দ্ৰ স্থানান্তৰিত হৈছিল। মূলতে কামৰূপ-প্ৰাগজ্যোতিষপুৰেই আছিল হিন্দু সংস্কৃতি সংৰক্ষণৰ ভঁড়াল স্বৰূপ আৰু তাৰ পৰাই ইয়াৰ এটা সুঁতি কপিলীপাৰ-কছাৰীপাৰলৈ বিয়পিছিল। কামৰূপ-প্ৰাগজ্যোতিষপুৰৰ ফালৰ পৰা আহি গুপ্ত-শিল্পৰীতিয়ে বৰগংগাৰ শিলালিপিখনৰ সমসমসাময়িক কালতে কপিলী-যমুনাৰ পাৰত ভুমুকি মাৰিছিল। শিলালিপিখনৰ কাষতে শিলত খোদিত দ্বাৰপালৰ মূৰ্তিটো (চিত্ৰ ৩) আৰু ডবকাৰ ওচৰৰ মিকিৰ-আটিৰ পৰা সংগ্ৰহ কৰি আনি ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষণ কৰা নাৰী মূৰ্তিৰ বক্ষ (ঢাকনীপাতৰ চিত্ৰ) দুয়োয়েই ষষ্ঠ শতিকাৰ গুপ্ত শিল্পৰীতিৰ স্বাক্ষৰ বহন কৰিছে। দেৱস্থান, ডবকা, গোসাঁইজুৰিত থকা অষ্টম শতিকাৰ মূৰ্তি-ভাস্কৰ্যবোৰে আৰু একেবাৰে আওহতীয়া হৈ ৰহাৰ ওচৰৰ খাইগড়ত থকা এই শতিকাৰে সূৰ্য-মূৰ্তিটোৱে (চিত্ৰ ১৬) গুপ্ত-শিল্প-ৰীতিৰ গৌৰৱ ঘোষণা কৰি আছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

শালস্তম্ভ বংশৰ দিনতো (সপ্তম শতিকাৰ শেষৰ পৰা) কছাৰীপাৰ অঞ্চল কামৰূপৰ ভিতৰুৱা আছিল। এই বংশৰে নৱম শতিকাৰ হৰ্জ্জৰবৰ্মাৰ এখন আৰু দশম শতিকাৰ বলবৰ্মাৰ দুখনমান ভূমিদান-ফলি ক্ৰমে যমুনামুখৰ ওচৰৰ হায়ুংথলত আৰু উত্তৰ বৰবিল (হাওৰাঘাট), পুৰণিগুদাম আদি ঠাইত পোৱা গৈছে। ফলিবোৰ পোৱা ঠাইতে ৰজাই ভূমিদান কৰিছিল বুলি গ্ৰহণ কৰা সমীচিন নহ'ব যদিও এই ফলিকেইখন আৰু আন দুই-এখন ফলিত উল্লেখ থকা ডিজ্জিন্যা (ডিমাছা ভাষাত ডিজেন-যমুনা), ডিজমক্কা (ডিমাছা ডিজেন অৰ্থাৎ যমুনা আৰু কাৰ্বি মুকাক, অৰ্থ ৰামধেনু অৰ্থাৎ ৰামধেনুৰ দৰে ধেনুভিৰীয়া যমুনাৰ কাষৰ কোনো বিল), ডিমৰ (যোগীযানৰ ওচৰৰ এখন নদী), কলংগা বিষয় (তুম্প্ৰেঙৰ পৰা কপিলীৰ উজনিত), বাৰ বা বাৰাসন (ৰাজমোহন নাথৰ মতে হোজাই-ডবকাৰ মাজত) আদি নামে কপিলী-যমুনা অঞ্চল শালস্তম্ভ ৰাজবংশৰ কামৰূপৰ ভিতৰত আছিল বুলি দেখুৱায়।

চিত্ৰ ৫ ॥ জল্লেশ্বৰ জ্ঞানদক্ষিণ শিৱ, অশোকতল। শিৱৰ লৌকিক ৰূপ।

শালস্তম্ভ বংশৰ পিছতে কামৰূপত ভৌমপাল বংশই ৰাজত্ব কৰিছিল। এই বংশৰ এজন প্ৰতাপী ৰজা ৰত্নপালে (একাদশ শতিকাৰ পূৰ্বাৰ্ধ) দুৰ্জয়া নামৰ তেওঁৰ ৰাজধানীখন দুৰ্গৰে পৰিবেষ্টিত কৰাই হৈছিল আৰু সুধা-ধৱলিত অসংখ্য শিৱ-মন্দিৰ আৰু প্ৰাসাদেৰে ৰাজ্যখন চাবলগীয়া কৰি তুলিছিল বুলি ইন্দ্ৰপালৰ ভূমিদানলিপিত উল্লেখ আছে। ৰাজমোহন নাথৰ মতে হোজাই-যোগীজান অঞ্চলেই প্ৰাচীন দুৰ্জয়া আছিল। কালিকা-পুৰাণত দুৰ্জয়াপীঠৰ উল্লেখ আছে (৭৯/১৫৯)। একেখন পুৰাণতে দুৰ্জয়াৰ ওচৰ-পাঁজৰত থকা কপিল-গংগিকা (কপিলী) আৰু যমুনাৰো (দিব্য যমুনা) উল্লেখ আছে (৭৯/১৪৬, ১৫৬)। হোজাই যোগীজানেই যদি তামৰ ফলিৰ দুৰ্জয়া হয়, তেনেহ'লে ইয়াত থকা শিলৰ প্ৰাচীনকলীয়া মন্দিৰবোৰ ৰত্নপালেই নিৰ্মাণ কৰোৱা হ'ব পাৰে। একালত কাৰ্বি আংলঙৰ ডংকা পাহাৰৰ পৰা ভেলাপাৰা, তৰাডুবি, হাতীমৰা, ন ভঙা, কেন্দুগুৰি, শিৱপুৰ, ৰাজবাৰী, কান্ধুলিমাৰি (বৰ্তমানৰ যোগীজান), আম্লিপুখুৰী আৰু নাম ডবকা হৈ ডবকালৈকে নাকৰ পোনে পোনে পুৰণি কালৰ ৰাজআলি এটা আছিল বুলি জনা যায়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ৬ ॥ সাধকৰ কৃচ্ছ-সাধনা, কাৰৈমাৰী।
চহা ৰূপনিৰ্মাণৰে নগ্ন পুৰুষমূৰ্তি।

ৰাজআলিটোৰ কাষৰ ঠাইখিনিৰ সৰহখিনিতে আৰু ওচৰ-পাঁজৰৰ ন নাথ, গোসাঁইজুৰি, মিকিৰআটি, গছতল আদি ঠাইতো পুৰণি কালৰ মন্দিৰৰ ধ্বংসাৱশেষ আছে। ডবকাৰ পূবত হাওৰাঘাটৰ কাষৰ দেৱস্থান, ডকমকাৰ মহামায়া, বৰগংগা, বুঢ়াগোসাঁই থান, আকাশীগংগা আদি ঠাইতো মন্দিৰৰ ধ্বংসাৱশেষ দেখিবলৈ পোৱা যায়। এইবোৰৰ উপৰি তৰাডুবিৰ পৰা আৰম্ভ কৰি কপিলীৰ পাৰে পাৰে বকুলগুৰি, কাৰৈমাৰী, মঠৰআটি (চাংচকী), ঘিলানী, বুতিকুৰা, মহাদেউশাল, মঠৰবড়ি (বাৰপুজিয়া) আদি ভালেমান ঠাইত দুই-তিনি মাইলমানৰ আঁতৰে আঁতৰে শিলৰ অসংখ্য মন্দিৰৰ ধ্বংসাৱশেষ আৰু পুখুৰী আছে। দুই-এটাৰ বাহিৰে মন্দিৰবোৰৰ সৰহখিনিয়েই শিৱৰ।

ভৌমপাল বংশৰ পিছত কামৰূপ ৰাজ্য বংগৰ পাল বংশৰ ৰজাৰ সেনাপতি বৈদ্যদেৱৰ হাতলৈ যায় (দ্বাদশ শতিকাৰ মাজভাগ)। গছতলৰ মন্দিৰৰ খুঁটাত থকা এখন ফলিত 'পূৰ্বস্য ৰাষ্ট্ৰে শ্ৰেষ্ঠ' এজন ৰজা বিশ্বসুন্দৰদেৱে ১১৪৯ শকত (১২২৭ খ্ৰীঃ) যবন সৈন্যক পৰাজিত কৰি ডবকা মণ্ডলৰ মঠত যজ্ঞ কৰা বুলি পোৱা যায়। ৰাজমোহন নাথে উল্লেখ কৰা পাঠ মতে ফলিখনত কাছাৰ, জয়ন্তা আৰু লংকা— তিনিখন ৰাজ্যৰ কথা পোৱা যায়। সম্ভৱ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ৭ ॥ ৰূপপট্টিকা, বকুলগুৰি

কামৰূপ ৰাজ্য দুৰ্বল হৈ পৰা সময়ছোৱাত কছাৰীপাৰ স্বাধীন হৈ উঠে আৰু তিনিখন স্বকীয়া ৰাজ্য হয়। আহোম বুৰঞ্জীত পোৱা মতে আহোম ৰাজ্যৰ পৰা কাছাৰলৈ আৰু কাছাৰৰ পৰা আহোম ৰাজ্যলৈ কটকী গতাগত কৰোঁতে ডেমেৰা ৰাজ্যত ৰ'ব লাগে আৰু ডেমেৰাৰ ৰজাই উভয়পক্ষক কটকী আহি পোৱাৰ খবৰ দিয়াৰ উপৰিও কাছাৰৰ ৰজাই আহোমৰ কটকীক ডেমেৰাৰপৰাই দোলা-ভাৰি দি নিয়াৰ নিয়ম আছিল। লংকা-হোজাইৰ কছাৰীসকলক ডেম্ৰা, ডেমেৰা বোলা হয়। বিশ্বসুন্দৰদেৱে উল্লেখ কৰা লংকা ৰাজ্যখন ডেমেৰা ৰাজ্যখনেই। ডেমেৰাৰ ৰজা কাছাৰৰ অধীন।

লংকা অঞ্চলত পোৱা ১২৭৪ শকৰ (১৩৫২ খ্ৰীঃ) উল্লেখ থকা আন এখন ফলিৰ পাঠ নিৰ্ণয় কৰি ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে মত প্ৰকাশ কৰি কৈছে যে ফলিত উল্লেখ থকা দীন নামৰ ব্ৰাহ্মণজনক ডবকা অঞ্চলত ভূমিদান কৰা শ্ৰীমাণিক্যই হৈছে মাধৱ কন্দলিৰ হতুৱাই অসমীয়া ভাষালৈ ৰামায়ণখন অনুবাদ কৰাওঁতা বৰাহী-কছাৰী ৰজা মহামাণিক্য। এইটো বৰ তাৎপৰ্যপূৰ্ণ কথা যে অসমীয়া ভাষা-সাহিত্য গঠন আৰু বিকাশত কপিলী-যমুনাৰ পাৰৰ বৰাহী-কছাৰী ৰজাই প্ৰথম মূল্যবান অৰিহনা আগবঢ়াইছিল।

আহোমসকল অসমলৈ অহাৰ সময়ত ব্ৰহ্মপুত্ৰৰ দক্ষিণকূলত ধনশিৰি, উত্তৰ কাছাৰ সামৰি দিখৌৰপৰা কলঙলৈকে বিশাল কছাৰী ৰাজ্য আছিল। ত্ৰয়োদশ শতিকাৰ শেষৰপৰা কছাৰী ৰাজ্য সংকুচিত হ'বলৈ ধৰে আৰু চুহুংমুং দিহিঙীয়া ৰজাৰ দিনত পঞ্চদশ শতিকাৰ শেষৰ ফালে কাজলিলৈকে কছাৰী ৰাজ্যৰ উত্তৰ অংশ আহোম ৰাজ্যৰ ভিতৰুৱা হয়। দিহিঙীয়া ৰজাৰ দিনতে কছাৰীসকল আহোমৰ লগত যুদ্ধত পৰাজিত হৈ ৰাজধানী ডিমাপুৰ এৰি দক্ষিণৰ মাইবঙলৈ যাব লগীয়া হয়।

এফালে আহোম ৰাজ্য আৰু পশ্চিমফালে থকা জয়ন্তীয়া ৰাজ্যৰ লগত কছাৰীসকল সততে যুদ্ধত লিপ্ত থাকিব লগীয়া হৈছিল। ৰুদ্ৰসিংহৰ দিনত কাছাৰ-জয়ন্তীয়া দুয়োখন দাতিপৰীয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ৮ ।। বকুলগুৰিৰ আন এটা মূৰ্তি ।

ৰাজ্য আহোমৰ অধীন হ'ব লগীয়াও হৈছিল। ১৮২৯ খ্ৰীষ্টাব্দত কছাৰী বীৰ তুলাৰাম সেনাপতিয়ে দৈয়াঙৰ পৰা যমুনা-বুঢ়ীগংগালৈকে কছাৰী ৰাজ্যৰ এটা ডাঙৰ অংশ কাঢ়ি লোৱাত অতীজৰ বিশাল ৰাজ্যখনো ভাগি দুখণ্ড হ'বলগীয়া হয়।

চুহুংমুং দিহিঙীয়া ৰজাৰ দিনলৈকে অৰ্থাৎ কছাৰী ৰজাৰ ৰাজধানী ডিমাপুৰত থকা সময়লৈকে কছাৰী ৰাজ্যত উন্নত স্থাপত্য ৰচনা কৰা হৈছিল। গেইটে উল্লেখ কৰিছে যে কছাৰী ৰজাৰ ডিমাপুৰত থকা ৰাজ-ভৱনটোত বংগীয় শৈলীৰ মোগল স্থাপত্যৰ চিনাকি পাব পাৰি।

কছাৰীপাৰত পোৱা মূৰ্তি-ভাস্কৰ্যবোৰৰ পৰা প্ৰাচীন কালত সেই অঞ্চলত প্ৰচলিত ধৰ্মৰ বিষয়ে জানিব পাৰি। উল্লেখযোগ্য যে মূৰ্তি-ভাস্কৰ্যৰ উপৰি প্ৰাচীন স্থাপত্যৰ প্ৰেৰণা আহিছিল হিন্দু ভাৰতৰ শিল্পৰ পৰা। মূৰ্তি-ভাস্কৰ্যবোৰত বিহাৰ, উৰিষ্যা, দক্ষিণ ভাৰত আদিৰ প্ৰভাবৰ বিষয়ে পণ্ডিতসকলে আলোচনা কৰি গৈছে। অসমৰ বাহিৰৰপৰা হোৱা জন-প্ৰব্ৰজন আৰু কাৰিকৰী বিদ্যা জনা লোকৰ আগমনেই এনে প্ৰভাৱৰ কাৰণ। আনকালে কামৰূপৰ ৰজাসকল নিজে কৈৰাতিক সংস্কৃতিৰ সন্তান হ'লেও তেওঁলোকে আৰ্যধৰ্মত বিশেষ গুৰুত্ব দিছিল আৰু তাৰেই প্ৰতিফলন ঘটিছিল নিজৰ ৰাজ্যত ব্ৰাহ্মণ সংস্থাপনত আৰু নিৰ্মাণ কৰোৱা মন্দিৰবোৰত। হিন্দুৰ শিৱ, বিষ্ণু আদি দেৱতাক তেওঁলোকে আদৰি লৈছিল আৰু স্থানীয় জনসমষ্টিৰ মাজৰ দেৱ-দেৱীবোৰ হিন্দুৰ শিৱ-শক্তি আদি দেৱ-দেৱীৰ মাজত মিলি গৈছিল। কেৱল এয়ে নহয় জনজাতীয় পূজা-উপাসনা, ৰীতি-নীতি,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বলি-বিধান আদিও সোমাই গৈছিল। সেয়ে ইয়াত শৈৱ-শক্তি আদি ধৰ্ম, নৰবলি, পশুবলি, মদ্য-মাংসৰ উপহাৰ, নানান ঐন্দ্ৰজালিক বৈশিষ্টৰে তান্ত্ৰিক বামাচাৰপন্থী হৈ পৰিছিল। ধৰ্মই এনে ৰূপ লোৱাৰ ক্ষেত্ৰখন আঞ্চলিক জনজাতীয় সমাজখনতে আছিল।

কছাৰীপাৰৰ জনগোষ্ঠীৰ মাজত শৈৱধৰ্মই আছিল জনপ্ৰিয়। শিৱ পূজিত হৈছিল লিংগ ৰূপত। গোসাঁইজুৰিত শিৱৰ স্বতন্ত্ৰ মূৰ্তি এটা আছে আৰু এই মূৰ্তিটো চলন্ত বিগ্ৰহ বুলি ধৰিব পাৰি। শিৱক অনাদি লিংগৰূপত পূজা কৰাতকৈ ৰূপময় চলন্ত বিগ্ৰহ হিচাপে পূজা কৰাটো একেবাৰে সীমিত আছিল। ডুবাবৰ শিৱপট্টিত যোগী-ধ্যানী শিৱৰ খোদিত মূৰ্তিও পোৱা যায়। কিন্তু আটাইতকৈ জনপ্ৰিয় আছিল বোধহয় শিৱৰ লৌকিক ৰূপটো। বড়ো-কছাৰী, ডিমাছা-কছাৰী, টিপ্ৰা, তিৱা আদি জনগোষ্ঠীৰ মাজত নিজাকৈ শিৱ-চেতনা আছিল আৰু এনে ধৰণৰ শিৱ-চেতনাক কেন্দ্ৰ কৰি গঢ় লোৱা পূজা-সেৱাৰ ধাৰা এতিয়াও তেওঁলোকৰ মাজত আছে। কনকলাল বৰুৱাই উল্লেখ কৰিছে যে প্ৰাচীন



চিত্ৰ ৯ ॥ ত্ৰিপুৰা-ভৈৰৱী, ৰাজবাৰী। (ৰাজ্যিক সংগ্ৰহালয়, অসম)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ১০ ।। ষট্‌কোণ

কালৰ কপিলীপাৰৰ বড়ো-কছাৰী ৰজাসকলে সিন্ধু-সভ্যতাৰ লেখীয়া শিং থকা শিৱ পশুপতিৰ নিচিনা দেৱতা এজনক বিশ্বাস কৰিছিল আৰু তেওঁক বুঢ়া-দেৱতা বুলি কৈছিল। বুঢ়াগোসাঁই ৰূপত শিৱৰ লৌকিক ৰূপ এটা এতিয়াও আছে আৰু কলং-কপিলীৰ পাৰত বুঢ়াগোসাঁইৰ থান ডুখনমানো আছে। ডক-মকাৰ বুঢ়াগোসাঁই থানত শিলৰ খোদিত শিৱৰ লৌকিক মূৰ্তি এটাও আছে (চিত্ৰ ৪)। কিছুদিনৰ আগলৈকে কান্দুলি-মাৰীত (বৰ্তমানৰ যোগীজান) মাছ-পহু চিকাৰ কৰিবলৈ অহা ৰাইজে গুৱা-পাণ এটাৰে প্ৰথমতেই থল-দেৱতা কিৰাত-কিৰাতনীক সেৱা জনাই যোৱাৰ নিয়ম আছিল। কামপুৰৰ ঘিলানী অঞ্চলতো মিকিৰ-মিকিৰণী বুলি অলৌকিক বুঢ়া-বুঢ়ী এহাল থকাৰ বিশ্বাস কিৰাত-কিৰাতনী, মিকিৰ-মিকিৰণীৰ উপৰি বুঢ়া, পগলা শিৱ আৰু পাৰ্বতী শিৱ-উমাৰেই নাম-ভেদ মাথোন। এইবোৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ১১ ॥ দ্বাৰ-শিৰপট্টিত প্ৰাচীন মন্দিৰৰ চানেকি, মহাদেউশাল

দেৱ-দেৱী ভুগৰাকীৰ লৌকিক ৰূপ।

লিংগৰ গাতে ৰেখাংকন কৰি থোৱা আন এটা মূৰ্তি (চিত্ৰ ৫) আছে পূব কামপুৰৰ অশোকতলত। মূৰ্তিটো কাৰৈমাৰীৰ ওচৰৰ জালজৰিৰ পৰা অনা। মূৰ্তিৰ ৰেখাংকন আদিমতা-প্ৰবন (Primitive)। লিংগটোৰ বাওঁফালে কাৰত 'শিৱম্ জল্লেশ্বৰস্তু দক্ষিণেষ মূৰ্তি' বুলি শিলত কটা ফলি এখন আছে। কালিকা-পুৰাণত জল্পীশ লিংগৰ উল্লেখ পোৱা যায়। এসময়ত পৰশুৰামৰ দৰে ভয়ংকৰ বৌদ্ধধৰ্মাৱলম্বী মহাপদ্ম নন্দৰ ভয়ত ক্ষত্ৰিয়সকলে ম্লেছ বা মেছসকলৰ ভাষা আৰু আৰ্যভাষাৰ সানমিহলি মাত-কথা গ্ৰহণ কৰি এই লিংগতে আশ্ৰয় লৈছিল। ক্ষত্ৰিয়সকল এই লিংগটোৰ ৰক্ষকো আছিল। পুৰাণখনৰ মতে জল্পীশ শিৱ দ্বিবাহুযুক্ত (বৰদাভয়হস্তোহয়ং দ্বিভুজঃ কুন্দসন্নিভঃ)। অশোকতলৰ জল্লেশ্বৰ মূৰ্তিৰ দুখন হাত। তাৰে সোঁহাতত তৰোৱাল এপাত আছে। মূৰ্তিটোৰ মূৰত চৰাইৰ পাখিৰ দৰে বস্তু এটা আছে আৰু শিলটোৰ একেবাৰে ওপৰফালে ত্ৰিশূল বা অংকুশ এডাল কাটি থোৱা আছে। গাত থকা লিপিখনৰ পৰা জনা যায় যে মূৰ্তিটো জল্লেশ্বৰ বা জল্পীশ আৰু ই শিৱৰ দক্ষিণমূৰ্তি। অসিধাৰী পুৰুষ ৰূপটোৰ পৰা বুজিব পাৰি যে জল্পীশ লিংগৰ লগত থকা ক্ষত্ৰিয়ৰ সম্পৰ্কৰ কথাকে ইয়াৰ দ্বাৰা প্ৰকাশ কৰা হৈছে। মূৰত চৰাইৰ পাখি পৰিধান দেখদেখকৈ আৰ্যভিন্ন জাতিৰ মাজৰ চিকাৰী জীৱনৰ পৌৰুষত্বব্যঞ্জক। শিৱৰ কিৰাত ব্যক্তিত্বও ইয়াৰ মাজেৰে প্ৰকাশ পাব পাৰে। কিন্তু এই মূৰ্তিটোৰ লগত শিৱৰ দক্ষিণ ৰূপটোৰ সম্পৰ্কহে বিতৰ্কৰ কথা। শিৱৰ মৃদংগ দক্ষিণ, বীণাধৰ দক্ষিণ, যোগ দক্ষিণ আৰু মেধা বা জ্ঞান দক্ষিণ ৰূপ আছে আৰু ভাৰতৰ চোল-পল্লৱ শিল্পত এইবোৰ ৰূপৰ মূৰ্তি-ভাস্কৰ্যও পোৱা যায়। দক্ষিণাভিমুখী কাৰণে শিৱ এই ৰূপত দক্ষিণমূৰ্তি। আনফালে সৃষ্টি-স্থিতি-প্ৰলয় কাৰ্য দক্ষতাৰে সম্পন্ন কৰে কাৰণেও দক্ষিণমূৰ্তি। তেওঁ নিজে অমূৰ্ত আৰু শ্ৰী(মায়া)ৰ সহায়ত তেওঁ কাৰ্য সম্পাদন কৰে (শ্ৰীয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ১২ ।। উমা-মহেশ্বৰ, দেৱস্থান।

দক্ষিণঃ শ্ৰী-দক্ষিণঃ স চ অসৌ অমূৰ্তিশ্চ)। শংকৰাচাৰ্যৰ দক্ষিণমূৰ্তি-স্তোত্ৰমতে দক্ষিণৰূপত শিৱ যুৱক আদিগুৰু (মৌন ব্যাখ্যা প্ৰকটিত পৰব্ৰহ্মতত্বং যুবানং)। তেওঁ বটগছৰ তলত মৌনভাৱে থাকি বৃদ্ধ শিষ্যসকলৰ সংশয় ছেদ কৰে। অশোকতলৰ মূৰ্তিটোৰ ওপৰফালে অংকুশ এপাট দি হয়তো প্ৰতীকেৰে জ্ঞানাংকুশ বুজাব খোজা হৈছে। সেইফালৰ পৰা মূৰ্তিটো জ্ঞান-দক্ষিণ ৰূপৰ হ'ব পাৰে।

কাৰৈমাৰীৰ ধ্বংসাৱশেষ থকা ঠাইত আদিমতাপ্ৰৱণ আন এটা মূৰ্তি আছে (চিত্ৰ ৬)। মূৰ্তিটো ভৈৰৱৰ বুলি বিশ্বাস কৰা হয়। এই মূৰ্তিটোৰো হাত দুখন— এখনত ত্ৰিশূল আৰু আনখনত কমণ্ডলু। এখন ভৰিৰ ওপৰত থিয় হৈ নগ্ন পুৰুষ মূৰ্তিটোৱে কঠোৰ সাধনা কৰি থকা যেন লাগে। সেইফালৰ পৰা মূৰ্তিটো যিকোনো এজন সাধকৰ হ'ব পাৰে। প্ৰাঞ্জল জননেন্দ্ৰিয় প্ৰজনন প্ৰক্ৰিয়াৰ ধাৰণা দিব পৰাকৈ নগ্ন। শস্য উৎপাদনৰ লগতো ইয়াৰ সম্পৰ্ক থকা সম্ভৱ। কিয়নো এইটো উল্লেখ কৰিব পাৰি যে নতুনকৈ গৰু বন লগোৱাৰ আগে আগে কল আৰু ভাং দি মূৰ্তিটোক সেৱা জনাব লাগে বুলি মানুহে মানি চলে।

লৌকিক শিৱৰ অন্য এটা ৰূপ গোসাঁইজুৰি মন্দিৰলৈ যোৱা বাটৰ ওচৰত ৰাষ্ট্ৰীয় পথৰ দাঁতিত থকা জাবৰাখোৱা শিৱ। সেয়ে ঠাইখনৰ নামো জাবৰাখোৱা। ইয়াৰ আগৰ নাম সোপাখোৱা আছিল। মানুহে সেইফালে যাওঁতে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ১৩ ।। উমা-মহেশ্বৰ, ডবকা। (ৰাজ্যিক সংগ্ৰহালয়, অসম)

গছ-পাত ছিঙি শিৱলৈ সোপা এটা উপহাৰ দিয়ে কাৰণেই শিৱৰ নাম সোপাখোৱা। হিন্দুস্থানী মন্দিৰ-ৰখীয়াই তাকে জাবৰা-খোৱালৈ ৰূপান্তৰ কৰিলে। শিৱলৈ সোপা উপহাৰ দিয়া, গছ-পাত আৰু ধূলি-মাটি দলিয়াই দিয়া প্ৰথা উৰিষা আৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ১৪ ॥ উমা-মহেশ্বৰ, মহামায়া পাহাৰ

বংগদেশতো আছে। গোৱালপাৰাৰ এখন গাঁৱতো এনে এটা প্ৰথা আছে। শিৱলৈ ডলি-চপৰা উপহাৰ দিয়া হয় কাৰণে গোৱালপাৰাৰ এইজনা শিৱক ঢেলখাওৱা শিৱ বুলি জনা যায়।

শিৱৰ পিছতে শক্তি-সাধনাৰ প্ৰাধান্যৰ কথা মূৰ্তি-ভাস্কৰ্যবোৰৰ পৰা ধাৰণা কৰিব পাৰি। শক্তি-সাধনাও তান্ত্ৰিক পদ্ধতিৰ আছিল। এই সাধন-পন্থত নৰবলি, পশুবলি, পঞ্চমকাৰৰ ব্যৱহাৰৰ কথাও কালিকা-পুৰাণে উল্লেখ কৰিছে। শান্তি, বশ্য, স্তম্ভন, বিদ্বেষ, উচ্চাটন আৰু মাৰণ আদি ঐন্দ্ৰজালিক যট্‌কৰ্মও ইয়াত শাস্ত্ৰবিহিত হৈছে। মুঠতে উদাৰভাৱে কামকলা প্ৰয়োগ বিধিসন্মত হৈছে। কপিলীপাৰৰ নাৰী-ৰাজ্য কদলি, গৰুচৰ আৰু প্ৰমিলাৰ ভিতৰৰে কদলি ৰাজ্যৰ নাৰীসকলৰ লগত যোগ-শিৱপন্থৰ সাধক মীননাথৰ সম্পৰ্কৰ বিষয়ে আখ্যান এটাও আছে। এই নাৰীসকলে যোগিনী-কৌলধৰ্ম সাধন কৰিছিল আৰু আখ্যানটোৰ পৰা জানিব পৰা মতে তেওঁলোকে কামৰূপ নগৰলৈ আহি পুৰুষ-সকলৰ ওচৰত মুকলিভাৱে ঋতুৰক্ষা কৰিছিলহি। মীননাথে এই নাৰীসকলৰ কামকলাত (অষ্ট-প্ৰকাৰ কামকলা — বশীকৰণ, সম্মোহ, আকৰ্ষণ, যৌনাভিষেক, পুৰশ্চৰণ, ৰজঃপান, প্ৰস্তাৱ আৰু নিবৃত্তি) মোহিত হৈ পৰি নিজৰ পূৰ্বৰ সাধনা পাহৰি গৈছিল। অৱশেষত মীননাথৰ শিষ্য গোৰক্ষনাথে কদলিলৈ আহি গুৰুক উদ্ধাৰ কৰি নিছিল। কদলিলৈ অহাৰ বাটত গোৰক্ষনাথে বকুল নামৰ এখন ঠাইত কানুফা নামৰ এজন

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ১৫ ॥ উমা-মহেশ্বৰ, ৰাজবাৰী
(বৰ্তমান বহা আবক্ষী চকীত আছে)।



সিদ্ধৰ পৰা গুৰুৰ বিষয়ে জানিব পাৰিছিল। বকুল ঠাইখন যমুনা-মুখৰ দক্ষিণপাৰে থকা বকুলগুৰি হোৱা সম্ভৱ। এই ঠাইখনত প্ৰাচীন মন্দিৰ থকাৰ তিনিটা চৌহদ আছে। ইয়াতে পোৱা শিলৰ ৰূপপট্টিকা এখনত (চিত্ৰ ৭) শিৱপূজা কৰা, আন এখনত সম্ভৱ এজন ভৈৰৱে তেওঁৰ ইন্দ্ৰজাল বিদ্যাৰ বলতে দুখন হাতত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ১৬ ॥ সূৰ্য, থাইগড়

দুটা হাতী দাঙি ধৰা (চিত্ৰ ২৮) আৰু এখনত সাধক এজনৰ বিৰাটত্ব-ব্যঞ্জক চিত্ৰ (চিত্ৰ ৯) পোৱা হৈছে। ভৈৰৱ বুলি ধাৰণা কৰা তীক্ষ্ণ ভংগীৰ ৰূপবন্ধটোৰ ওজস্বী কাৰ্যই সাধনাৰ ৰহস্যপূৰ্ণ দিশৰ ইংগিত বহন কৰিব পাৰে।

কামৰূপৰ বৰ্মন বংশৰ পৰা ভৌমপাল বংশলৈকে প্ৰায় সকলো ৰজাই ভূমিদান কৰা ফলিত শিৱ আৰু শিৱ-পাৰ্বতীক যুগল-ভাবেও বন্দনা কৰা পোৱা যায়। নগাঁও জিলাৰ বৰভগীয়া অঞ্চলৰ খনামুখ গাঁৱত পোৱা ধৰ্মপালৰ ভূমিদান-লিপিত শিৱৰ অৰ্ধযুবতীশ্বৰ বা অৰ্ধনাৰীশ্বৰ ৰূপৰ বন্দনা কৰা হৈছে। উমা-মহেশ্বৰ আৰু অৰ্ধনাৰীশ্বৰ অভিব্যক্তি তান্ত্ৰিক সাধনাৰ লগত জড়িত। উল্লেখযোগ্য যে কছাৰীপাৰ-কপিলীপাৰত দেৱস্থান, মিকিৰআটি, মহামায়া, যোগীজান, বুঢ়া মায়ং আদি ভালেমান ঠাইত উমা-মহেশ্বৰ মূৰ্তি পোৱা হৈছে আৰু সংখ্যাৰ দিশত এই অঞ্চলতে এনে মূৰ্তি আটাইতকৈ বেছিকৈ ওলাইছে। শতিকা হিচাপে এই মূৰ্তিবোৰৰ সময় অষ্টমৰ পৰা দ্বাদশ শতিকা। তন্ত্ৰৰ ত্ৰিপুৰা সুন্দৰী সাধনাত শিৱৰ কোলাত আসন লোৱা হিচাপে দেৱীক আৰাধনা কৰিব লাগে। যোগী-জানৰ ৰাজবাৰীত পোৱা ত্ৰিপুৰা-ভৈৰৱীৰ মূৰ্তিখন (চিত্ৰ ৯) তান্ত্ৰিক সাধনমাৰ্গৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

জনপ্ৰিয়তাৰ আন এটা উদাহৰণ ।উল্লেখযোগ্য যে ইয়াত তন্ত্ৰ-যোগৰ ষট্‌কোণ যন্ত্ৰৰ ওপৰত ত্ৰিপুৰা-ভৈৰবীৰ ৰূপনিৰ্মাণ কৰা হৈছে (চিত্ৰ ১০)। তন্ত্ৰ-গ্ৰন্থ ‘ষট্‌চক্ৰনিৰূপণ’ত কোৱা হৈছে যে হৃদি-পংকজ বা অনাহত চক্ৰ সুৰতৰু বা কল্পবৃক্ষ সদৃশ আৰু ই সৰ্ব বা শিৱৰ স্থান। পংকজৰ ভিতৰৰ ষট্‌কোণটোত বায়ুমণ্ডল। ত্ৰিপুৰা-ভৈৰৱী মূৰ্তিখনৰ চৌঘূৰীত শৰাসনত বহি থকা অষ্টভৈৰৱ আৰু তেওঁলোকৰ নিজৰ নিজৰ অষ্ট-মাতৃকাৰ ৰূপনিৰ্মাণ কৰা আছে। অষ্ট-মাতৃকাৰ ভিতৰৰে এগৰাকী দেৱী চামুণ্ডাৰ ষড়ভুজী মূৰ্তি এখন আছে যোগীজানৰ ওচৰৰ ন-ভঙা গাঁৱত। দেৱীগৰাকী মৰাশৰ ওপৰত থিয় হৈ আছে আৰু মূৰ্তিখনৰ পীঠিকাত শিয়াল-শগুণ আদিৰ ৰূপবন্ধ ৰচনা কৰা আছে।

কছাৰীপাৰত পোৱা তান্ত্ৰিক দেৱ-দেৱীৰ মূৰ্তিবোৰে এই ধাৰণাকে দিয়ে যে এসময়ত তাত বামাচাৰ পদ্ধতিৰে সাধনা চলিছিল। আনফালে শিৱ, শক্তি, বিষ্ণু, গণেশ, গজলক্ষ্মী আদি মূৰ্তিবোৰৰ প্ৰাচুৰ্যলৈ লক্ষ্য কৰি ধাৰণা কৰিব পাৰি যে ধৰ্ম-সাধনৰ ক্ষেত্ৰত উদাৰতাও বিৰাজ কৰিছিল। এইটোও ঠিক যে বিভিন্ন দেৱ-দেৱীৰ মূৰ্তিবোৰে স্থাপত্যৰ শোভাবৰ্ধন কামটোকে প্ৰধানকৈ সম্পন্ন কৰিছিল। কিন্তু এই ক্ষেত্ৰতো উদাৰভাব মূল কথা হ’ব লাগিব। সেয়ে দেখা পোৱা গৈছে যে আকাশীগংগাৰ দুৱাৰ এখনৰ শিৰপট্টিত মাজৰ ললাটস্থানত নৃত্যৰত গণেশক লৈ দুয়োফালে যোগাসনত বহি থকা চতুৰ্ভুজ বিষ্ণু আৰু শিৱক নিজৰ নিজৰ পৰিবাৰ দেৱীসকলৰে সৈতে খোদিত কৰা হৈছিল (ৰাজমোহন নাথে দুয়োটা মূৰ্তিকে বিষ্ণুৰ বুলি



চিত্ৰ ১৭ ।। সূৰ্য, ডবকা।
(ৰাজ্যিক সংগ্ৰহালয়, অসম)

7921
পুস্তকালয়
গুরুকুল কাংড়ী বিশ্ববিদ্যালয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ১৮ ॥ দুৱাৰ-শাখাৰ ভাস্কৰ্য, শংখাদেৱী মন্দিৰ

কৈছে যদিও চিনাক্তকৰণ শুদ্ধ নহয়। শিৰপটিৰ সোঁফালে থকা মূৰ্তিটোৰ ওপৰ সোঁহাতত ডম্বৰু, তলৰ সোঁহাতত অক্ষমালা আৰু তলৰ বাঁওহাত ভূমিস্পৰ্শ মুদ্ৰাত আছে। পৰিবাৰ দেৱীসকলৰ ৰূপনিৰ্মাণতো ভংগীৰ পাৰ্থক্য আছে)।

গোসাঁইজুৰি, কাৰৈমাৰী, ৰেংবেং আদি কেইখনমান ঠাইত অষ্টম আৰু একাদশ-দ্বাদশ শতিকাৰ কেইবাখনো আটকধুনীয়া বিষ্ণুমূৰ্তি আছে। এইবোৰে বিষ্ণু-উপাসনাৰ ঐতিহ্যকে প্ৰকাশ কৰে। শিৱৰ বিপৰীতে বহু ঠাইত দেখিবলৈ পোৱা বামুণ-গোসাঁই থানবোৰে সম্ভৱ বিষ্ণুৰ লৌকিক ৰূপটোলৈ আঙুলিয়ায়। সেইদৰে গছৰ তলত শিল এচটাকে লৈ গণেশ থান কিছুমানো আছে। এনেধৰণৰ থানত স্থানীয় তিৱা লোকে পূজা-সেৱা কৰা পোৱা যায়। ৰহাৰ ওচৰৰ খাইগড়ত তেনে এখন থান আছে। আনফালে গণেশৰ মূৰ্তি আছে পচিম নগাঁৱৰ বসুন্ধৰী, ৰহা, কাজলি পাহাৰৰ চনকা, ৰৰঘাট আদিত। বাৰপুজিয়াৰ পৰা তিনি মাইলমান পছিমৰ এখন গাঁৱত পোৱা চতুৰ্দশ শতিকাৰ তামৰ ফলি এখনত ৰজাই গণেশকে প্ৰথমে বন্দনা কৰাও পোৱা গৈছে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দেৱ-দেৱীৰ মূৰ্তিবোৰৰ বাহিৰে হোজাই অঞ্চলত ভাৰবহন কৰি থকা (উৰণীয়া) অপ্সৰাৰ মূৰ্তি পোৱা হৈছে। প্ৰজেশ বেনাৰ্জীয়ে এষাৰ সুন্দৰ কথা কৈছে— সকলো সুকুমাৰ শিল্পৰ সংমিশ্ৰণত ভাৰতত তিলোত্তমাৰ দৰে অপ্সৰাৰ পৰিকল্পনা কৰা হৈছিল; অপ্সৰা প্ৰকৃততে অভিজাত চিন্তাচৰ্চাৰ পৰা জন্মলাভ কৰা মূৰ্তি। অপ্সৰা জীৱন-তোষিণী আৰু ইয়াৰ লগত থকা নাৰীসুলভ গুণখিনি উৰ্বৰতাৰ লগত জড়িত। অপ্সৰাৰ দৰে অভিজাত মিথুন-মূৰ্তি (চিত্ৰ ২৬) এহাল আছে চাৎচকীত।

কছাৰীপাৰত পোৱা মূৰ্তি-ভাস্কৰ্যবোৰৰ শিল্পমূল্য বিচাৰ কৰিলে বস্তু-সৌন্দৰ্যৰ প্ৰতি শিল্পীসকলৰ ধাৰণা আৰু আবেগৰ বিষয়ে জানিব পৰা যাব।

"Forwarded free of cost, and with the compliments of the Department of Education Government of India, New Delhi."

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কপিলীপাৰ কছাৰীপাৰ
স্থাপত্য আৰু মূৰ্তি-ভাস্কৰ্য

প্ৰাচীন কালৰ স্থাপত্যৰ ধ্বংসাৱশেষ আৰু মূৰ্তি-ভাস্কৰ্যৰ প্ৰাচুৰ্যলৈ লক্ষ্য কৰি কপিলীপাৰ-কছাৰীপাৰত শিল্পচৰ্চাৰ ঐতিহ্যময় ধাৰা এটা জীৱন্ত হৈ আছিল বুলি ধাৰণা কৰিব পাৰি। শিল্পচৰ্চাৰ প্ৰধান মাধ্যম আছিল শিল আৰু এই মাধ্যমত আনুমানিক ষষ্ঠ শতিকাৰ পৰা দ্বাদশ-ত্ৰয়োদশ শতিকামানলৈকে চৰ্চা অব্যাহত আছিল। শিলৰ উপৰি পোৰামাটি আন এটা মাধ্যম আছিল। পোৰামাটিৰ ইটাৰে মন্দিৰ সজাৰ উপৰি বেৰৰ শোভাবৰ্ধনৰ কাৰণে ভাস্কৰ্যও ৰচনা কৰা হৈছিল। কিন্তু এই মাধ্যমটোত কৰা কাম কিমান প্ৰাচীন অথবা শিলৰ মাধ্যমটোৰ সমান্তৰালভাবে আছিল নে নাছিল, বৰ্তমান অবস্থাত সেই কথা খাটাংকৈ ক'ব পৰা নাযায়। পোৰামাটিৰ ভাস্কৰ্যত দেখিবলৈ পোৱা কিছুমান লক্ষণৰ পৰা কিন্তু এইবোৰ পিছৰ কোনো এটা সময়ৰ বুলি ধাৰণা কৰিব পাৰি।

ভাস্কৰ্যবোৰ সাধাৰণতে মন্দিৰৰ প্ৰয়োজনতে গঢ়া হৈছিল। পূজাৰ বিগ্ৰহ বা স্বকীয়াভাবে গঢ়া মূৰ্তিতকৈ দুৱাৰ-শাখা, শিৰপট্টিক আৰু ৰূপপট্টিকা (frieze) আদিতেই মূৰ্তি কটা হৈছিল। এই মূৰ্তিবোৰ উঠন চিত্ৰ (high relief) হিচাপে খোদিত। পূজাৰ বিগ্ৰহ দুটামান (যেনে—সূৰ্যমূৰ্তি— চিত্ৰ ১৬) আৰু দুই-এটা অন্য মূৰ্তি (ঢাকনীপাতৰ চিত্ৰ) পূৰ্ণ ভাস্কৰ্য (sculpture in the round)। কিন্তু শিলৰ ফলকত আংশিক পূৰ্ণ ভাস্কৰ্য আৰু সৰহ ভাগকে উঠন চিত্ৰৰ লেখীয়াকৈ খোদিত কৰাৰ ৰীতি এটাও প্ৰচলিত আছিল। এই ৰীতি একাদশ-দ্বাদশ শতিকাৰ ফলকবোৰত বেছি স্পষ্ট (চিত্ৰ ১৫)। সাংস্কৃতিক ক্ষেত্ৰত পৰিবৰ্তনৰ লগে লগে বস্তু-সৌন্দৰ্যৰ প্ৰতি থকা দৃষ্টিভংগীৰ পৰিবৰ্তনৰ কাৰণেই ৰূপনিৰ্মাণলৈকো পৰিবৰ্তন আহিছিল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মূৰ্তিৰ দৰে স্থাপত্যও সমাজৰ ধৰ্ম-চিন্তাৰ প্ৰয়োজনতে গঢ় লৈ উঠিছিল। ৰহাৰ ওচৰৰ মহাদেউশাল (চিত্ৰ ১১), যমুনামুখ-কামপুৰৰ কাৰৈমাৰী, মঠৰআটি আৰু ডবকাৰ ওচৰৰ আকাশীগংগাৰ ধ্বংসস্তূপৰ মাজত থকা দুৱাৰৰ শিৰপটিত মন্দিৰৰ ক্ষুদ্ৰ চানেকি একোটা খোদিত কৰা আছে। এই চানেকিবোৰ আৰু ধ্বংসস্তূপৰ মাজত পোৱা আমলক, ঘট আদি ৰূপাংগবোৰৰ ওপৰত ভিত্তি কৰি ৰাজমোহন নাথে মত পোষণ কৰিছে যে কপিলী-যমুনাৰ পাৰৰ শিলৰ প্ৰাচীন মন্দিৰবোৰ ভাৰতীয় নাগৰ-ৰীতিৰ আছিল। মন্দিৰৰ গৰ্ভগৃহবোৰ আছিল চতুৰস্ৰ (চাৰি-কোণীয়া বৰ্গক্ষেত্ৰাকাৰ) আৰু শক্তি-সাধনাৰ লগত জড়িত সৃষ্টিচক্ৰ বা শ্ৰীচক্ৰটোকে ইয়াৰ চানেকি হিচাপে লোৱা হৈছিল। চক্ৰটোত একেটা ভৰকেন্দ্ৰতে চাৰিটা ওপৰমুৱা আৰু পাঁচটা তলমুৱা মুঠ ৯ টা ত্ৰিভুজ থাকে। ওপৰমুৱা ত্ৰিভুজকেইটাই পুৰুষ বা শিৱক আৰু তলমুৱাকেইটাই প্ৰকৃতি বা শক্তিক প্ৰতিনিধিত্ব কৰে। শিৱ-শক্তিৰ সমন্বয় বা সৃষ্টি-প্ৰক্ৰিয়াকে ত্ৰিভুজকেইটাৰ দ্বাৰা বুজোৱা হয়। গৰ্ভগৃহৰ নিৰ্মাণেও তান্ত্ৰিক সাধনালৈকে আঙুলিয়াই দিয়ে।

কোনো কোনো ঠাইত একেটা মন্দিৰতে শাখা-মন্দিৰ কৰি নাইবা মূল মন্দিৰৰ চাৰিওফালৰ চাৰিটা কোণত চাৰিটা সুকীয়া মন্দিৰ সাজিও পঞ্চায়তন কৰাৰ প্ৰয়াস চলিছিল বুলি নাথডাঙৰীয়াই উল্লেখ কৰিছে। আনফালে একেটা চৌহদতে দুটা বা তিনিটা সমান্তৰাল



চিত্ৰ ১৯ ॥ বিষ্ণু, কাৰৈমাৰী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ২০ ॥ বিষ্ণুৰ মুখমণ্ডল, কাৰৈমাৰী

ৰেখাত আঠটা বা ন-টাকৈ মন্দিৰ নিৰ্মাণ কৰাও দেখিবলৈ পোৱা যায়। ড° নিশিপদ চৌধুৰীয়ে দেখুৱাইছে যে মিকিৰ-আটিত মাজত মূল মন্দিৰটো লৈ তিনি শাৰীত মুঠ ন-টা মন্দিৰ সজোৱাৰ গাঁথনি আছে। ড° চৌধুৰীয়ে ৰাজবাৰীতো ন-টা মন্দিৰ থকাৰ কথা কৈছে। ন-নাথত আঠোটা মন্দিৰৰ ভিতৰফাল খান্দি উলিওৱা হৈছে। টি. ৰামচন্দ্ৰনে উল্লেখ কৰিছে যে ডবকাৰ ওচৰৰ গোসাঁইজুৰিত আঠোটা টিলা আছে; তাৰে কোনো কোনোটোত ইটাৰ গাঁথনি পোৱা যায়। ন সংখ্যাটোৱে লিংগৰূপত নৱগ্ৰহ-পূজাৰ ধাৰণা দিব পাৰেনেকি? গুৱাহাটীৰ নৱগ্ৰহত শৈৱ আৰু সৌৰধৰ্মৰ সমন্বয় হোৱা লিংগৰূপত নৱগ্ৰহ-পূজা কৰাৰ ৰীতি থকাৰ কথা ড° ধৰ্মেশ্বৰ চুতীয়াই উল্লেখ কৰিছে। যিবোৰ ঠাইত আঠোটাকৈ মন্দিৰ থকাৰ চিন আছে, সেইবোৰে শিৱৰ ৰুদ্ৰ, সৰ্ব, পশুপতি, উগ্ৰ, অশনি, ভৱ, মহাদেৱ আৰু ঈশান— এই অষ্টমূৰ্তিৰ ধাৰণা দিব পাৰে নিশ্চয়। শিৱৰ অষ্টমূৰ্তিয়ে ক্ৰমে অগ্নি, পৃথিবী, যজমান, বায়ু, আকাশ, জল, চন্দ্ৰ আৰু সূৰ্যমূৰ্তিক প্ৰতিনিধিত্ব কৰে বুলি ড° বাসুদেৱচৰণ আগৰৱালাই উল্লেখ কৰিছে। মূৰ্তিবোৰৰ নিজা বৰ্ণ থকাৰ দৰে ন-নাথৰ মন্দিৰৰ ভিতৰত থকা লিংগবোৰো স্বকীয়া স্বকীয়া বৰণৰ। তত্বৰ দিশত উচ্চ পৰ্যায়ৰ এই ধাৰণা কিৰাত-উৎসৰ নহয় নিশ্চয়। লিংগৰূপৰ মূল লৌকিক ধাৰণাৰ গুৰিত থকা তিব্বত-বৰ্মী আৰু খাচীসকলৰ বৰঙণিখিনি হিন্দু সমাজৰ উচ্চ শৈৱদৰ্শনে সামৰি-সুতৰি লৈছিল বুলি ভাবিব পাৰি।

কপিলী-যমুনাৰ পাৰৰ মূৰ্তি-ভাস্কৰ্যত গুপ্ত-শিল্পৰীতিৰ পৰা আৰম্ভ কৰি বংগৰ সেন-পালযুগলৈকে ভাৰতীয় মূৰ্তি-ভাস্কৰ্যৰ ঐতিহ্য থকাৰ কথা পণ্ডিতসকলে আলোচনা কৰিছে। প্ৰাচীন কামৰূপৰ ৰজাসকলে বিহাৰ-পাটলিপুত্ৰ, নেপাল আৰু দক্ষিণ ভাৰতৰ লগত যুদ্ধহয়, মিত্ৰতা আৰু বৈবাহিক সম্পৰ্ক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ২১ ॥ গজসিংহ, কাৰৈমাৰী।



পতাৰ কথা তেওঁলোকৰ আৰু অন্য ঠাইৰো ভূমিদান-ফলিৰ পৰা জনা যায়। যোগাযোগৰ এই পথৰেই আচহুৱা (exotic) সম্পদবোৰ কামৰূপলৈ আহিছিল। কিন্তু ইয়াত স্থানীয় জাতিসকলৰ বস্তুৰূপ সামৰি লৈ ভাস্কৰ্যবোৰে ভাব-আদৰ্শত ভাৰতীয় হৈয়ো আঞ্চলিক ঐতিহ্যৰ বাহক ৰূপ আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হৈছিল।

খ্ৰীষ্টীয় ষষ্ঠ শতিকাত তেজপুৰৰ দ পৰ্বতীয়াত গুপ্ত-শিল্পৰীতিৰ স্থাপত্য-ভাস্কৰ্যই আত্মপ্ৰকাশ কৰাৰ সময়তে কছাৰীপাৰৰ বৰগংগাত শিলৰ বুকুত দ্বাৰপালৰ মূৰ্তি এটা খোদিত কৰা হৈছিল। মূৰ্তিটোৰ কাষতে থকা শিলালিপিখনৰ সময় ৫৫৪ খ্ৰীষ্টাব্দ। সেইফালৰ পৰা মূৰ্তিটোও সেই সময়ৰে হ'ব। কেশবিন্যাস আৰু থিয় হোৱাৰ ভংগীয়েও সেই সময়ৰে ইংগিত দিয়ে বুলি ডঃ ৰবীন দেৱচৌধুৰীয়ে উল্লেখ কৰিছে। প্ৰাঞ্জল ৰূপনিৰ্মাণ, দৃষ্ট ৰূপৰ যথাযথ আৰু পৰিপাটি নিৰ্মাণ-কৌশল আৰু দেহভংগীৰ সৰল লাৱণ্যই ভাস্কৰ্য-শিল্পীজনৰ সুদক্ষ হাতৰ চিনাকি দিয়ে (চিত্ৰ ৩)। লক্ষ্য কৰিব পাৰি যে স্বচ্ছন্দভাবে প্ৰবাহিত ডৌলৰেখাই মূৰ্তিটোৰ দেহডৌল তৎপৰ (accentuated) কৰিছে। থিয় হোৱাৰ ভংগীত দৈহিক ক্ষয়বৃদ্ধিৰ (foreshortening) যি ৰূপ প্ৰত্যক্ষ হয়, শিল্পীয়ে সেই দিশটোলৈকো মনোযোগেৰে চাইছিল। সেয়ে ভৰিদুখনত ক্ষয়বৃদ্ধিৰ স্বাভাবিকতা সুন্দৰভাবে প্ৰকাশ পাইছে।

ষষ্ঠ শতিকাৰ শিল্পৰীতিৰ আন এটি মনোৰম ভাস্কৰ্য হৈছে ডবকাৰ ওচৰৰ মিকিৰআটিৰ পৰা আনি ৰাজ্যিক সংগ্ৰহালয়ত ৰখা অভিজাত গাভৰু এগৰাকীৰ বক্ষভাগ (ঢাকনীপাতৰ চিত্ৰ)। নাৰীদেহৰ ৰহস্যময় সৌন্দৰ্য উন্মোচন কৰি শিলৰ বুকুত তাক প্ৰকৃতাৰ্থত তুলি ধৰাৰ ক্ষেত্ৰত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ২২ ॥ সিংহ আৰু ঘটপল্লৱ, মাৰাব পাৰ্ক।





চিত্ৰ ২৩ ॥ সিংহ আৰু ঘটপল্লৱ, মাৰাব পাৰ্ক।

থকা শিলকটিয়াৰ আন্তৰিকতা আৰু হৃদয়ানুৰাগৰ ধাৰণা এই মূৰ্তিটোৱে সুন্দৰকৈ দাঙি ধৰিব পাৰে। সুকোমল ভাব ইয়াত মাধ্যমৰ জমিৰ (texture) মাজেৰে একেই কোমল আৰু স্পৰ্শ-কাতৰ হৈ প্ৰকাশ হৈছে। সুদক্ষ শিল্পীগৰাকীৰ হাতত শিলৰ কঠিন ভাব অন্তৰ্হিত হৈছে আৰু কেবল গোলাকাৰ দুটা বস্তুপিণ্ডৰে (উমা-মহেশ্বৰ মূৰ্তি দ্ৰষ্টব্য) স্তনযুগলৰ ডৌল (contour) ৰচনা কৰাৰ পৰিবৰ্তে তেওঁ শিলৰ বুকুত হাতৰ সঁজুলি এনেদৰে আলফুলকৈ পৰিচালনা কৰিছে, যাৰ ফলত বক্ষ অংশৰ কাঠিন্য ভাব আঁতৰি স্কন্ধৰ পৰা ক্ৰমে ক্ৰমে নামি অহা মঙহভাৰ স্তনযুগল হৈ বুকুত চঞ্চল হৈ ৰৈছে আৰু দেহডৌলকো ব্যঞ্জনাময় কৰি তুলিছে। কণ্ঠহাৰৰ খাজবোৰ স্বাভাবিক আৰু অগভীৰ। আনকি বুকুৰ মাজৰ বিভাজন খোৰটো (cleavage) অগভীৰ হোৱাৰ কাৰণে দুটা বস্তুপিণ্ডৰ মাজৰ বিভাজন গভীৰ (deep parting) নহৈ প্ৰকৃত বস্তুসৌন্দৰ্যৰে ডৌলক পৰিস্ফুট কৰি তুলিছে।

ইয়াৰ পিছত অষ্টম শতিকাৰ গুপ্তশিল্প-ঐতিহ্যৰ স্বাক্ষৰ বহন কৰিছে হাওৰাঘাটৰ ওচৰত থকা দেৱস্থানৰ প্ৰাচীন মন্দিৰৰ দ্বাৰ-শিৰপটিৰ ভাস্কৰ্য আৰু স্বতন্ত্ৰ কাৰ্তিক মূৰ্তিটোৱে। ভাঁজ-বিশিষ্ট প্ৰশস্ত ডৌলৰেখাৰে কাৰ্তিকৰ দেহাবয়ৱত সবলতা ফুটি উঠিছে। শ্ৰোণীৰপৰা তলৰ অংশ আৰু ভৰিৰ গঠন নিখুঁত আৰু সৌষ্ঠৱপূৰ্ণ। আনফালে দ্বাৰ-শিৰপটিৰ ললাটস্থানত খোদিত উমা-মহেশ্বৰৰ চিত্ৰফলকখন বেছ কাব্যিক (চিত্ৰ ১২)। আৰ্যৰ লেখীয়া ওখ কাৰ্তিকতকৈ ৰূপ-বন্ধযুগল আপেক্ষিকভাৱে চুটিচাপৰ (dwarf)। এই বৈশিষ্ট্যটোৰ উপৰি বহল ডাঙৰ মূৰ, সৰু

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ২৪ ॥ হাতী আৰু কল্পবৃক্ষ, মাৰাৰ পাৰ্ক।

ভৰি আৰু ফুলি উঠা চকুৱে আঞ্চলিক জনগোষ্ঠীৰ আবয়বিক বৈশিষ্ট্যলৈ ইংগিত দিব পাৰে। উমা-মহেশ্বৰ মূৰ্তিৰ ভৰিদুখনত মান-প্ৰমাণৰ (proportion) বিকৃতি (distortion) আছে। সেই কাৰণে কঁকালৰপৰা তলৰ অংশ চহা-লেখীয়া। কিন্তু বিকৃতিকৰণ ভালদৰে গ্ৰহণীয় হ'ব পাৰিছে বিশেষকৈ শিৱই বাওঁহাতখন উমাৰ বাওঁফালে কাষলতিৰ তলেৰে সুমুৱাই দি উমাক নিজৰ গাৰ কাষলৈ চপাই আনিবলৈ কৰা প্ৰচেষ্টাৰ কাৰণে। ৰূপনিৰ্মাণো সেই কাৰণে গতিশীল হৈ পৰিছে। এনেদৰে উমাই বহিবলৈ ধৰা ভংগীটোত শিল্পীগৰাকীয়ে বিকৃতিৰ ব্যঞ্জনা দি গোটেই



চিত্ৰ ২৫ ॥ ঋষি-দম্পতি, মাৰাৰ পাৰ্ক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ২৬ ।। সম্ভোগ-শৃংগাৰ, চাংচকী ।

নিৰ্মাণ-গাঁথনি সবল কৰি তুলিছে। দুয়োটা ৰূপবন্ধতে কামনাৰ আন্তৰিকতা (কামনা-চঞ্চল হোৱাৰ পৰিবৰ্তে) লক্ষ্য কৰিব পাৰি। শিৱৰ সোঁবাহুৰ ওপৰত উমাই হাতখন থোৱাৰ ভংগীটো তৃপ্তিৰ আৰু প্ৰকাশভংগীও কলাসুলভ। ফলকখন সৰু আৰু এটা বৰ্গক্ষেত্ৰৰ চাৰিবেৰৰ মাজত আলেখ্যস্থান সংবৃত্ত হ'লেও স্পেইচৰ সদ্‌ব্যৱহাৰৰ কাৰণে চিত্ৰখন ৰসোত্তীৰ্ণ হ'ব পাৰিছে। উমাৰ বাঁওহাতত থকা দাপোণখন বৰ্গক্ষেত্ৰটোৰ বাৰৰ আধাৰৈকে এনে চতুৰভাবে লৈ যোৱা হৈছে যে সিয়েই সংবৃত্ত ক্ষেত্ৰটোৰ বন্ধন ভাব ভাঙি উমাৰ বাঁওফালে থকা মুকলি স্পেইচখিনি অৰ্থপূৰ্ণ আৰু নিৰ্মাণ-গাঁথনিৰ লগত অপৰিহাৰ্য কৰি তুলিব পাৰিছে।

দেৱস্থানৰ উমা-মহেশ্বৰ মূৰ্তিখনৰ কাব্যিকতাৰ বিপৰীতে ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত ডবকাৰ একে বিষয়ৰ মূৰ্তিখন (চিত্ৰ ১৩) চঞ্চল অনুৰাগৰে উজ্বল। অৱশ্যে এই উজ্জ্বলতা কামনাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ২৭ ।। ৰেখাচিত্ৰ, ন-নাথ।

বিহ্বলতা নহয়, শান্তিৰ হাঁহি এটাৰে ভৰা সুখৰ প্ৰতিচ্ছবি মাথোন। নৱম শতিকামানৰ এই মূৰ্তিখনত নাৰীদেহৰ আকৰ্ষণীয় ৰহস্যময় ৰূপকে দেৱীত্ব প্ৰদান কৰি শিল্পীয়ে উমাৰ দেহ-ভংগীৰ মাজেৰে ফুটাই তুলিছে। ৰূপময়ী নাৰীক দেৱীৰ আসনত প্ৰতিষ্ঠা কৰাটোত তান্ত্ৰিক সাধনাৰেই প্ৰত্যক্ষ প্ৰভাৱ আছে। হয়তো শিল্পীৰ অবচেতন মনৰ অনুৰাগো ৰূপনিৰ্মাণৰ অন্তৰালত সক্ৰিয় হৈ থাকিব পাৰে। উমাই দীঘল জোঙা নখেৰে শিৱৰ সোঁবাহুত ছাপ দিয়া আঁচোৰৰ মাজত কামনাৰ মাৰ্জিত অভিব্যক্তি লক্ষ্য কৰিব পাৰি। আনফালে তেওঁৰ ৰূপনিৰ্মাণত কঁকালৰপৰা তললৈ আৰু বাঁওভৰিখনৰ বিন্যাস নিখুঁত হ'ব পৰা নাই যদিও ওখ হনু, সৰু চকু আৰু তলৰ ওঁঠতকৈ ঈষৎ ডাঙৰ অধৰে আঞ্চলিক মানুহৰ বৈশিষ্ট্য প্ৰতিফলিত কৰিছে। নিৰ্মাণ গাঁথনি (composition) আৰু স্পেইচৰ মাজত দেৱস্থানৰ মূৰ্তিখনৰ দৰে সংহতি ৰক্ষা কৰা নাই। অলংকৃত-চানেকিবোৰত শিল্পীয়ে বিশেষ মনোযোগ দিছিল আৰু এই কাৰণেই উমাৰ ৰীতিপুষ্ট (stylised) কেশসজ্জাত চুলিৰ ৰেখাবোৰ সযত্ন প্ৰকাশেৰে নিখুঁত হৈছে।

চতুৰ্ভূজ শিৱৰ লগত উমাৰ আন এখন মূৰ্তি আছে ডকমকাৰ ওচৰৰ মহামায়া পাহাৰৰ টিঙত থকা মন্দিৰৰ চাৰিকোণীয়া খুঁটা এটাৰ পাদ অংশত। মুখাবয়ৱ চাও-চকলীয়া। মূৰ্তিখন নৱম শতিকামানৰ হ'ব (চিত্ৰ ১৪)।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ২৮ ।। সাধক, বকুলগুৰি।
বিৰাটত্বব্যঞ্জক অভিব্যক্তি।

মিকিৰআটিৰ উমা-মহেশ্বৰ মূৰ্তিখন দশম শতিকামানৰ। ফলিখনৰ মাজটো বহল, ইয়াৰ তুলনাত তলৰ অংশ সৰু আৰু ওপৰলৈ জোঙা। ত্ৰিপাৰ্শ্ব মুখাবয়বৰে মূৰটো টেৰেচীয়া কৰি থকা উমাৰ ভংগীটোৱে চিত্ৰখনত গতিৰ সঞ্চাৰ কৰিব পাৰিছে। চিত্ৰফলকৰ অলংকৃত কাষৰিৰ লগত শিৱৰ ত্ৰিশূলপাতো অলংকাৰ-ৰূপাংগ হৈ মিলি গৈছে।

যোগীজানৰ ৰাজবাৰীত আৰু বহা আৰক্ষী চকীৰ শিৱমন্দিৰত থকা উমা-মহেশ্বৰ মূৰ্তিদুখন পৰস্পৰ একে। পিছত উল্লেখ কৰা মূৰ্তিখন ৰাজবাৰীৰ পৰাই অনা হৈছিল। সংহত নিৰ্মাণগাঁথনি, স্পেইচৰ সাৰ্থক ব্যবহাৰ আৰু নিখুঁত ৰূপনিৰ্মাণেৰে দুইখন মূৰ্তিয়েই মনোৰম (চিত্ৰ ১৫)। লীলাপূৰ্ণ আসনভংগীত থকা মূৰ্তিযুগলৰ ৰূপবন্ধত গতি আছে। উমাৰ বাঁওভৰিখনৰ টেৰেচীয়া (diagonal) ৰূপটোৰ সমতালত থাকি শিৱৰ সোঁভৰিৰ পতাখনে ছন্দ ৰক্ষা কৰিছে। সেইদৰে শিৱৰ সোঁবাহুৰ পৰা উমাৰ বাঁওহাতৰ কিলাকুটিলৈ দেহৰেখ একেই টেৰেচীয়া হৈ নামি আহিছে। শিৱৰ সোঁহাতে শিলৰ ফলিৰ পৰ্বতীত অগ্নিৰেখাত (vertical line) থকা ত্ৰিশূলপাতে দুয়োটা টেৰেচীয়া ৰেখাৰ ভূমি হিচাপে থাকি এটা ত্ৰিকোণ ক্ষেত্ৰ ৰচনা কৰিব পাৰিছে আৰু তাৰ মাজত ৰূপবন্ধ গতিশীল হৈ উদ্ভাসিত হৈছে। ত্ৰিশূলপাতৰ ব্যতিক্ৰম (irregular) সংস্থাপনে চিত্ৰগত ভাব পৰিস্ফুট কৰাত মোহনীয় ভূমিকা গ্ৰহণ কৰিছে। এনে ব্যতিক্ৰম-সংস্থাপন গুপ্তযুগৰ অজন্তা চিত্ৰৰো ঐতিহ্য। ব্যতিক্ৰমৰ কাৰণেই উমাৰ বাঁওহাতৰ দাপোণখনৰ লগত ত্ৰিশূলপাত সমতালত নিবদ্ধ হৈছে আৰু নিৰ্মাণ-গাঁথনি সংহতিপূৰ্ণ কৰি তোলাত অৰিহণা যোগাইছে। মূৰ্তিখনত ওখ জটামুকুটৰে আলফুলকৈ হালি পৰিব ধৰা শিৱৰ মুখাবয়বে ফলকৰ ওপৰ অংশৰ স্পেইচত সুন্দৰভাৱে সংহতি ৰক্ষা কৰিব পাৰিছে। কম অলংকাৰ আৰু ত্ৰিপাৰ্শ্ব মুখাবয়বৰে ৰূপবন্ধ-যুগলৰ মাজত একাত্মতা লক্ষ্য কৰিব পাৰি। উল্লেখ কৰা হৈছে যে মূৰ্তিখনত দেখা পোৱা একোটা ৰূপাংগ (motif) ব্যতিক্ৰমভাৱে স্থাপন কৰাটো অজন্তা-ঐতিহ্যৰ বিশেষ সম্পদ। লক্ষ্য কৰিব পাৰি, মূৰ্তিখনত দেখা পোৱা শিৱৰ বিশেষ ভংগীটো অজন্তাৰ এক নম্বৰ গুহাত থকা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বোধিসত্ত্ব পদ্মপাণিৰ কাৰিক ভংগীটোৰ লগত প্ৰায় সদৃশ। শিৱমূৰ্তিটোৰ কঁকাল অংশৰ কৃশভাব আৰু দীঘল চানেকীয়া গঠন পূৱ-ভাৰতীয় পাল-শৈলীৰ পৰা অহা সম্ভৱ হ'ব পাৰে। আনফালে মূৰ্তিৰ দেহকাণ্ডৰ ছয়োফালে খোলনি দি পূৰ্ণভাস্কৰ্য (sculpture in the round) কৰাৰ প্ৰৱণতাও দশম শতিকাৰ পিছৰ বৈশিষ্ট্য। সেইফালৰ পৰা মূৰ্তিখন একাদশ শতিকা-মানৰ হোৱা সম্ভৱ।

দেৱস্থানত থকা ওপৰৰ অংশ ভগা উমা-মহেশ্বৰ মূৰ্তিখনো ৰাজবাৰীৰ মূৰ্তিখনৰে একেলেখীয়া হোৱা সম্ভৱ। মূৰ্তিখন ভাগি যোৱাৰ কাৰণে খাটাংভাবে কোনো সিদ্ধান্ত কৰিব নোৱাৰি যদিও উমাৰ আসন-ভংগীৰ যিকণ অৱশিষ্ট আছে, তাৰ পৰা ৰাজবাৰীৰ মূৰ্তিখনৰ লগত সদৃশ আছিল বুলি ধাৰণা কৰিব পাৰি। উল্লেখযোগ্য যে দেৱস্থানৰ ভালেখিনি ভাস্কৰ্য অষ্টম শতিকাৰ (দ্ৰষ্টব্য ঃ চিত্ৰ ১২)।

জাগীৰ ছস্মৃতিমুখত কলঙৰ বুকুত কপিলী মিলি পৰিলেও এই ঠাইৰ পৰা সাত-আঠ কিলোমিটাৰ ভিতৰত পছিমফালে বুঢ়া মায়ং, কাছশিলা পাহাৰ আৰু চনকাৰ ওচৰৰ গণেশ পাহাৰতো একোখনকৈ উমা-মহেশ্বৰ মূৰ্তি আছে। বুঢ়া মায়ং, গণেশ পাহাৰৰ দুয়োখন মূৰ্তিয়েই ৰীতিবিলাসী (stylised), প্ৰচুৰ পৰিমাণে অলংকৃত। মূৰ্তিদুখনে শিল্পীৰ কল্পনা আৰু মানসিকতাৰ ক্ষেত্ৰত থকা চৌখিন ভাবৰ (sophistic-ation) ধাৰণা দিব পাৰে।

ৰহাৰ ওচৰৰ খাইগড় গাঁৱত থকা সূৰ্যমূৰ্তিটো অষ্টম শতিকামানৰ। চাওচকলীয়া মুখাবয়ব আৰু দেহৰ পাহোৱাল গঠন সৰল আৰু অভিব্যক্তিস্ফুলভ (চিত্ৰ ১৬)।



চিত্ৰ ২৯ ॥ মোহিনী (ব্ৰোঞ্জ), বুতিকুৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ৩০ ।। গণেশ, আকাশীগংগা ।

আনফালে ডবকাৰ সূৰ্যমূৰ্তিটোৰ (চিত্ৰ ১৭) মসৃণ দেহ, বৰ্ণাঢ্য ৰূপ-লাৱণ্যই আৰ্য-পুৰুষৰ দেহ-গৌৰৱ ঘোষণা কৰিব পাৰে। উদীচ্যবেশ অৰ্থাৎ উত্তৰ ভাৰতীয় সাজসজ্জা আৰু জোতাই আৰ্যৰ ঐতিহ্যক বহন কৰিছে। ৰূপবন্ধ ত্ৰিপুৰা-ভৈৰৱীতকৈ (চিত্ৰ ৯) উন্নত। আয়ত স্কন্ধ আৰু ক্ৰমে সংকোচিত বুকু-কঁকাল সুন্দৰকৈ বিন্যাস কৰি শিল্পীয়ে পুৰুষৰূপৰ যথাৰ্থ ব্যঞ্জনা ফুটাই তুলিব পাৰিছে। দেহ-কাণ্ডৰ 'ভি' আকাৰ (V-shape) পুৰুষদেহৰ সাৰ্থক প্ৰকাশ। মুখৰ অভিব্যক্তি আছে আৰু ই বাস্তবানুগ। কাৰুকাৰ্য নিখুঁত। বংগৰ পাল-সেন ভাস্কৰ্যৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। মূৰ্তিটোত কোনো স্থানীয় ঐতিহ্য নথকাটৈ চাই এইটো কোনো আচহুৱা (exotic) উৎসৰ পৰা অহা বুলি ভাবিব পাৰি। মূৰ্তিটোৰ ছুয়োকাষত থকা দণ্ডৰ শিৰত বান্ধি থোৱা উৰণীয়া পতাকা আৰু তৰংগৰ লেখীয়া জ্যোতি-শিখাৰ অংকন তিব্বতী আদৰ্শৰ। ইয়াৰ পাদদেশত খোদিত কৰা ভাস্কৰ্যবোৰ পৰস্পৰ সমতালত বিন্যাস কৰা হৈছে। সোঁফালৰ নিক্ষোভা আৰু বাঁওফালৰ ৰাজ্ঞীৰ চোঁৰৰ চুডালৰ সংস্থাপন পৰস্পৰ বিপৰীত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চিত্ৰ ৩১ ॥
পোৰামাটিৰ ভাস্কৰ্য, ন-নাথ।



হোৱাৰ কাৰণে গোটেই মূৰ্তিখন সচল হৈ পৰিছে। সেইদৰে একেবাৰে তলত উষা আৰু প্ৰত্যুষাৰ সংস্থাপনো তাৎপৰ্যপূৰ্ণ। মুঠতে পাদদেশৰ ভাস্কৰ্যবোৰৰ সচলতাই মূৰ্তিখনকো গতিশীল কৰি তুলিছে, যেনিবা সূৰ্যই নিজৰ ৰথত আকাশমাৰ্গত অবিৰতভাবে পৰিভ্ৰমণ কৰি আছে। উল্লেখযোগ্য যে মূৰ্তিখনৰ পীঠিকাৰ সোঁমাজত এটা চকাৰ প্ৰতীক আৰু মুঠ সাতোটা ঘোঁৰাৰ আংশিক প্ৰদৰ্শনৰে ৰথৰ ব্যঞ্জনা দিয়া হৈছে।

নিখুঁত জাংপাহৰে (anatomy) ত্ৰিপাৰ্শ্ব মুখাবয়ব চিত্ৰাৰ্ধ বা উঠন চিত্ৰত (high relief) ফুটাই তোলা দেখা পোৱা যায় যোগীজান অঞ্চলৰ শংখাদেৱী মন্দিৰত থকা দুৱাৰ-শাখাৰ খোদাই কামৰ মাজত (চিত্ৰ ১৮)। প্ৰত্যেক শাৰী দুৱাৰশাখাৰ তলত একোটা প্ৰকোষ্ঠৰ মাজত একোটাকৈ মূৰ্তি খোদিত কৰা হৈছে: সাধাৰণতে উঠন-চিত্ৰত অভিমুখী বা ঋজ্বাগত (frontal) আৰু পাৰ্শ্বাগত (profile) মূৰ্তি খোদিত কৰাটো যিমান সহজ, তাৰ তুলনাত সাৰ্থক ত্ৰিপাৰ্শ্ব (three-quarter profile) মূৰ্তি কটা অধিক জটিল কাম। দুৱাৰ-শাখাৰ সোঁফালে থকা পূজাৰিনী মূৰ্তিটোত ত্ৰিপাৰ্শ্ব ৰূপনিৰ্মাণ সাৰ্থক হৈছে। খোজত গতিৰ সঞ্চাৰ হৈছে আৰু সি মূৰ্তিটোকো সচল কৰি তুলিছে। মাজৰ শাখাত থকা দ্বাৰপাল আৰু বাওঁশাখাৰ মূৰ্তিটো ক্ৰমে অভিমুখী আৰু পাৰ্শ্বাগত; মূৰ্তিদুটাৰ জাংপাহ সাৰ্থক হ'লেও পূজাৰিনী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ৩২ ॥ পোৰামাটিৰ ভাস্কৰ্য, ন-নাথ।

মূৰ্তিটোৰ দৰে সচল নহয়। পূজাৰিনীৰ মঙহাল তলপেটৰ বৰ্তনাচঞ্চলতা (plasticity) আৰু সামগ্ৰিকভাবে বৰ্তনানয় ডৌল মূৰ্তিটোৰ বিশেষত্ব। আটাইকেইটা মূৰ্তিৰে মুখাবয়ব বৰ্গাকাৰ আৰু আঞ্চলিক জনগোষ্ঠীৰ আটিল চকলা মুখৰ চিনাকি বহন কৰিব পৰা ধৰণৰ।

শংখাদেৱীৰ একেখন দুৱাৰৰে শিৰপট্টিৰ ললাটত (চিত্ৰ ১) খোদিত সম্ভৱ যমুনাদেৱীৰ ৰূপনিৰ্মাণত কিন্তু শাখাত খোদিত পূজাৰিনীৰ গঠন-সৌকৰ্য আৰু সাৰ্থকতা দেখিবলৈ পোৱা নাযায়। যমুনা আৰু যমুনাৰ ওপৰফালে থকা নাগকন্যা দুগৰাকীৰ মুখাবয়ব একেই বৰ্গাকাৰ হলেও আটাইকেইটা মূৰ্তিয়েই ওপৰ-গধূৰ। মঙহৰ গধূৰ ভাব অকল দেহকাণ্ডতেই নহয়, হাতদুখনতো আছে। অতি প্ৰশস্ত স্কন্ধ আৰু গধূৰ বুকুৰ গঠনত আঞ্চলিক প্ৰভাব পৰা সম্ভৱ। ৰূপনিৰ্মাণত প্ৰকাশ পোৱা ওপচনি (exuberance) ভাব আৰু চহা (folk) বৈশিষ্টখিনিৰপৰা ভাস্কৰ্যসমূহ দেৱস্থানৰ অষ্টম শতিকাৰ ভাস্কৰ্য আৰু ডবকাৰ নবম শতিকাৰ উমা-মহেশ্বৰ (চিত্ৰ ১৩) মূৰ্তিৰ মাজৰ সময়ছোৱাৰ বুলি ধাৰণা কৰিব পাৰি। ডকমকাৰ মহামায়া থানৰ নৱম শতিকাৰ ভাস্কৰ্যও এইটো স্তৰৰে হ'ব পাৰে (চিত্ৰ ১৪ উমাৰ মুখাবয়বৰ লগত থকা আপাত সাদৃশ্য।)।

ৰাজবাৰীৰ পৰা ৰাজ্যিক সংগ্ৰহালয়লৈ নিয়া ত্ৰিপুৰা-ভৈৰৱীৰ (চিত্ৰ ৯) ৰূপনিৰ্মাণো ডবকাৰ সূৰ্যৰ দৰে আচহুৱা (exotic) উৎসৰ হ'ব পাৰে। ওপৰফাললৈ টেৰেচীয়াকৈ টনা চেলাউৰি, একেদৰে টেৰেচীয়াকৈ কটা ফুলি উঠা চকুৰ ৰেখাৰ লগত কণ্ঠহাৰডাল আৰু স্তনৰ মাজৰ অগভীৰ ৰেখাডালৰ সুৰ-সংহতি প্ৰকাশ পাইছে। ইয়াৰ কাৰণে লয় এটা জমিৰ বুকুত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাঁহি উঠিছে আৰু ৰূপবন্ধকো ছন্দোময় কৰি তুলিছে। উল্লেখ কৰি অহা হৈছে যে ত্ৰিপুৰা-ভৈৰৱীৰ ৰূপনিৰ্মাণ কৰা হৈছে এটা ষট্‌কোণত। ডিম্বাকৃতি (ovoid) ফলকখনৰ মাজত যন্ত্ৰটোকে দৃশ্যমান কৰা হৈছে। ত্ৰিভুজ দুটাৰ উমৈহতীয়া অগ্নিৰেখা-অক্ষৰেখাডাল (vertical axis) দেৱীৰ দেহৰো ব্ৰহ্মসূত্ৰ। ৰেখাডাল সোঁমাজত আছে। গতিকে স্পেইচ আৰু মূৰ্তিটোৰ দেহভাৰ দুয়োফালে সমান। চৌদিশত ভৈৰৱ-ভৈৰৱীৰ মূৰ্তিবোৰ এনেদৰে সংস্থাপন কৰা হৈছে, যেনিবা সিহঁতে পৰিপ্ৰেক্ষিতৰ ধাৰণাহে দিছে। মূৰ্তিবোৰ ডিম্বাকৃতি ফলকৰ চৌদিশত থাকি চিত্ৰৰ নিৰ্মাণ-গাঁথনিকো ডিম্বৰ চানেকিলৈ ৰূপান্তৰিত কৰিছে। নিৰ্মাণ-গাঁথনিৰ এই ঐতিহ্য প্ৰাচীন। অজন্তা (দশম গুহাৰ বোধিসত্ব) আৰু পাল-চিত্ৰকলাতো এই ৰীতি আছিল। ভাস্কৰ্যত এই লেখীয়া নিৰ্মাণে চিত্ৰসুলভ ভাব এটা পৰিস্ফুট কৰিব পাৰে! লক্ষ্য কৰিব পাৰি যে সৰু সৰু মূৰ্তিবোৰ পৰিপ্ৰেক্ষিতত থকাৰ কাৰণেই আৰু অগধূৰ পদ্ম-পীঠিকা, তাৰ তলত ওপৰলৈ চাই প্ৰণাম কৰি থকা মূৰ্তিটোৰ কাৰণে প্ৰধান মূৰ্তিজনা ওপঙি থকাৰ (floating) দৰে চিত্ৰফলকৰ পৰা সম্মুখলৈ ওলাই আহিছে।

ড' ৰবীন দেৱচৌধুৰীৰ মতে ডবকাৰ বিষ্ণুমূৰ্তি শৈলীগত কাৰণত দেওপানীৰ

চিত্ৰ ৩৩ ॥ পোৰামাটিৰ ভাস্কৰ্য, ন-নাথ

"Forwarded free of cost, and with the compliments of the Department of Education Government of India, New Delhi."

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ৩৪ ॥ পঞ্চদেৱী, মহামায়া পাহাৰ।

বিষ্ণুমূৰ্তিৰ সমসাময়িক অৰ্থাৎ অষ্টম শতিকাৰ। তেখেতৰ মতে ইয়াৰ বিষ্ণুমূৰ্তিৰ শৈলীগত বৈশিষ্ট্য হৈছে ইয়াত বাহন খোদিত কৰা নহয় আৰু পৰিবাৰ দেৱ-দেৱী দেখুওৱা হয়। ঈষৎ মঙহাল তলপেট, অৰ্দ্ধনিমীলিত চকু, মধ্যম ধৰণৰ জোঙা নাক, কিছুপৰিমাণে দীঘলচানেকীয়া মুখ মূৰ্তিবোৰৰ আনকেইটামান বৈশিষ্ট্য। ড° দেৱচৌধুৰীয়ে এইবোৰ আঞ্চলিক বৈশিষ্ট্য বুলি ক'ব খোজে। কে. এন. দীক্ষিতৰ মতে দেওপানীৰ বিষ্ণুমূৰ্তিৰ মুখৰ অভিব্যক্তি, ওঁঠৰ গঠন আৰু শিৰৰ মুকুট গুপ্তযুগৰ শেষভাগৰ ভাস্কৰ্যৰ লেখীয়া। সেয়ে তেওঁ দেওপানীৰ বিষ্ণু নৱম শতিকাৰ বুলি ক'ব খোজে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দ্বাদশ শতিকাৰ ভিতৰতে বিষ্ণুমূৰ্তিসমূহ অনেক অলংকাৰ আৰু ৰূপাংগ (motif) সমাবেশেৰে ওপচি পৰিবলৈ ধৰে। বংগৰ শিল্পৰীতিৰ কৰণকৌশল আৰু ৰূপনিৰ্মাণৰ লগত সাদৃশ্য থকা কেইবাটাও বিষ্ণুমূৰ্তি কপিলীপাৰৰ ঠায়ে ঠায়ে আছে। কাৰৈমাৰীৰ বিষ্ণু (চিত্ৰ ১৯) দ্বাদশ শতিকাৰ কপিলীপৰীয়া ভাস্কৰ্যশিল্পীৰ বৰ্ণাঢ্য চেতনাৰে মূৰ্ত। ভাল-কেইটা ৰূপাংগ (মকৰিকা, ব্যাল-তোৰণ, কীৰ্তিমুখ আদি) আৰু দেৱ-দেৱীৰ স্বতন্ত্ৰ ৰূপবন্ধ একেটা গাঁথনিৰ মাজত সংহত ৰূপত বিন্যাস কৰা হৈছে এই মূৰ্তিখনত।

বিষ্ণুৰ মুখাবয়ৱ বুলি ধাৰণা কৰা কাৰৈমাৰীৰ এটা মূৰ্তিত (চিত্ৰ ২০) দেখিবলৈ পোৱা অৰ্দ্ধনিমীলিত ফুলি উঠা চকু, চকলা মুখ, থুতৰিৰ ডোল আৰু বহল কপাল আঞ্চলিক বৈশিষ্ট্যৰ। মূৰ্তিটো মুণ্ডিতমস্তক যেন ধাৰণা হয়। চুলি কাটি পেলোৱা বা চুটি চুটিকৈ কটাৰ ৰীতি তিব্বত-বৰ্মী মানুহৰ মাজত আছে। কালিকা-পুৰাণতো 'অকাৰণ মুণ্ডিতমস্তক' শিৰগণৰ উল্লেখ আছে। আন্তৰিক প্ৰসন্ন ভাব মুখাবয়ৱত লক্ষ্য কৰিব পাৰি।

কাৰৈমাৰী, গোসাঁইজুৰি, ৰাজবাৰী আদি ঠাইত শিলত কাটি থোৱা জন্তুৰ ভয়াবহ ৰীতিবিলাসী (stylised) মুখাকৃতি আৰু পূৰ্ণাংগ ৰূপবন্ধ দেখিবলৈ পোৱা যায়। কাৰৈমাৰীৰ হস্তীদমনৰত সিংহবোৰ ফিনিক্সৰ লেখীয়া বিৰাটত্বব্যঞ্জক। ইয়াৰে এটা শিলত এটা মূৰৰপৰাই দুটা সিংহৰ গা-ভাগ দেখুওৱা হৈছে (চিত্ৰ-২১)। ডকমকাৰ ওচৰৰ বুঢ়াগোসাঁই থানতো একে লেখীয়া মূৰ্তি এটা আছে। কিন্তু ইয়াৰ সিংহ দুটাৰ মূৰটো ভাগি গ'ল। দুয়োটা মূৰ্তিতে সিংহই হস্তীদমন কৰি আছে। ড' আনন্দ কুমাৰস্বামীৰ মতে সম্মুখলৈ মুখ কৰি থকা অথচ দেহকাণ্ড পাৰ্শ্বাগত (কপিলী-পাৰৰ শংখাদেৱী, বুতিকুৰা আৰু প্ৰাচীন হাৰূপেশ্বৰৰ



চিত্ৰ ৩৫ ॥ ষোলকোণীয়া স্তম্ভ, বকুলগুৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ৩৬ ॥ মকৰ-মুখ, বাজবাৰী।

দুৱাৰডলিত থকা সিংহ), বিপৰীত গতিত থাকিও মুখখন পিছলৈ ঘূৰাই থকা জন্তু, পাখিলগা সিংহ আদি কিছুমান ৰূপাংগ এচিয়াটিক ৰূপাংগ কিছুমানৰ লগত সদৃশ। জন্তুৰ একেটা মাথোন মূৰৰপৰা কেইবাটাও দেহৰ বিস্তাৰ হোৱা ভালেকেইটা উদাহৰণো কুমাৰস্বামীয়ে দেখুৱাইছে। কাৰৈমাৰী (চিত্ৰ ২১) আৰু বুঢ়াগোসাঁই থানৰ তেনে লেখীয়া মূৰ্তিত বিশেষ কাৰিগৰী নাই যদিও ভংয়কৰ জীৱ-টোৰ চানেকি মূল্য (design value) নোহোৱা নহয়। তিনিপহীয়া তোড়ণৰ (trefoil arch) চানেকি এটাৰ ভংগিল গতিয়েই ৰূপবন্ধটোৰ মাজেৰে প্ৰকাশ পাইছে। বিপৰীতফালে গতি কৰি থাকিও পিছলৈ মুখ ঘূৰাই থকা সিংহৰ ৰূপাংগ কছাৰীপাৰৰ বহু ঠাইত আছে। অতি গভীৰ খোলনি কৰি ৰূপনিৰ্মাণ কৰাটোৰেই এইবোৰৰ এটা বৈশিষ্ট্য। দুয়োফালে থকা দুটা সিংহৰ মাজত এটা পূৰ্ণ ঘট বা ঘটপল্লৱ থাকে (চিত্ৰ ২২, ২৩)। ই দুয়োটা ৰূপবন্ধৰ মাজত যুগপৎ সম্বন্ধ ৰক্ষা কৰে প্ৰথাগতভাবে। কোনো কোনোটো সিংহৰ দেহত ৰীতিবিলাসী কেশৰ আৰু কল্কাও থাকে। অসমৰ নাম-ঘৰবোৰত থকা সিংহাসনৰ সিংহবোৰতো এই লক্ষণ আছে। ডবকা অঞ্চলৰ পৰা আনি নগাঁৱৰ মাৰাৰ পাৰ্কত ৰখা এখন ৰূপপট্টিকাত ৰীতি-বিলাসী কল্পবৃক্ষ এজোপাৰ দুয়োফালে দুটা হাতী আছে। প্ৰায় পিৰামিডৰ লেখীয়া নিৰ্মাণ-গাঁথনিৰ কাৰণে চিত্ৰখন মনোৰম হৈছে (চিত্ৰ ২৪)।

পূজা-সেৱাৰ পৰা চিকাৰলৈকে সমাজৰ ভালেমান চিত্ৰ কপিলীপৰীয়া শিল্পীয়ে শিলৰ বুকুত মূৰ্ত কৰি থৈ গৈছে। বকুলগুৰিত পোৱা ৰূপপট্টিকাখনত (চিত্ৰ ৭) শিৱ-পূজা, সৰ্পহন্তা ময়ূৰ আৰু চিকাৰীৰ দৃশ্য ৰসব্যঞ্জনাৰে মূৰ্ত হৈছে। ইয়াত আনুভূমিক চিত্ৰৰ লেখীয়া প্ৰকোষ্ঠ বিভাজন মন কৰিবলগীয়া। মাজৰ প্ৰকোষ্ঠটোত থকা ময়ূৰটোৰ ফানকোছা শিল্পীয়ে চতুৰভাবে বোৱাই নি চিকাৰীদুজনৰ সমুখত থকা স্তম্ভটোৰ অগ্নিৰেখাডাল (vertical line) ভাঙি দিছে। এই

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ৩৭ ॥ আমলক (অৰ্দ্ধ অংশ) মাবাৰ পাৰ্ক।

কাৰ্যই দুয়োটা প্ৰকোষ্ঠত থকা বস্তুৰূপৰ মাজৰ যুগপৎ সম্পৰ্ক প্ৰাঞ্জল কৰি তোলাৰ লগে লগে সৌন্দৰ্যও সৃষ্টি কৰিছে।

একেদৰে আশ্ৰম-জীৱনৰ পৰা আৰম্ভ কৰি নাৰী আৰু পুৰুষৰ সম্ভোগ শৃংগাৰলৈকে সমাজৰ বিচিত্ৰ জীৱন শিলৰ বুকুত দেখিবলৈ পোৱা যায়। মাবাৰ পাৰ্কত থকা ঋষি-দম্পতিৰ মাজেৰে সাংসাৰিক ভোগৰ প্ৰতি যি অনাসক্তিৰ ভাব প্ৰকাশ পাইছে (চিত্ৰ ২৫), তাৰ বিপৰীতে চাংচকীৰ নামঘৰৰ চোতালত আনি থোৱা কাৰৈমাৰীৰ পুৰুষ-নাৰীৰ সম্ভোগ শৃংগাৰ সংসাৰ-আসক্তিৰ মধুৰ প্ৰকাশ (চিত্ৰ ২৬)। ৰূপনিৰ্মাণৰ ফালৰপৰা ঋষি-দম্পতি ওপৰ গধূৰ আৰু গাঠলু। মুখ ঈষৎ দীঘলচানেকীয়া। উমাৰ (উমা-মহেশ্বৰ, ডবকা, চিত্ৰ ১৩) বাঁওভৰিখনত দেখা পোৱা আঁৰ লগা বিন্যাস ঋষি-পত্নীৰ ক্ষেত্ৰত নোহোৱা হৈ সাৱলীল হৈছে। দুয়োটা মূৰ্তিয়ে অনাসক্তিৰ ভাব বুজাবলৈকে মূৰ দুটা হেলনীয়া কৰি দিয়াৰ কাৰণে নিৰ্মাণ-গাঁথনি 'ভি' গঢ়ৰ হৈছে আৰু গতিৰো সঞ্চাৰ হৈছে। সম্ভোগ-শৃংগাৰত থকা মূৰ্তিযুগল (চিত্ৰ ২৬) লাহী আৰু ওখ। সমুখত টেৰেচীয়া ভৰিখনে ক্ৰিয়া-চাঞ্চল্য প্ৰকাশ কৰিছে। ফলকৰ বাঁওফালে ওপৰত খালী স্পেইচ-খিনিৰে শিল্পীয়ে চিত্ৰখন গতি আৰু কাৰ্যৰে সচল কৰি তুলিব পাৰিছে। বৰ্ণাঢ্য কেশসজ্জা আৰু অলংকাৰ-পাতিৰ পৰা নাৰী-পুৰুষযুগল সমাজৰ অভিজাত স্তৰৰ বুলি ধাৰণা কৰিব পাৰি। সোঁফালৰ মূৰ্তিটোৱে আৰাম কৰিবলৈ হেলনীয়া আসন আৰু কোমল গাৰু ব্যৱহাৰ কৰাৰ পৰাও সেই ধাৰণাই স্পষ্ট হয়।

আসক্তিৰ গৌৰৱ ঘোষিত হৈছে মানুহভিন্ন অন্য জীৱৰ মাজতো। ন নাথৰ শিলৰ স্তম্ভ এটাৰ গাত তাৰেই বলিষ্ঠ ৰেখাংকন সম্ভোগলিপ্ত হৰিণযুগলৰ (চিত্ৰ ২৭)। হৰিণযুগলৰ ৰূপবন্ধত চৌঘূৰী গতিশীলতা আছে। শক্তিশালী ৰেখা, সীমিত কাৰুকাৰ্যৰে স্পেইচ্ সামৰি লʼব পৰা এই চিত্ৰখন (ঘোঁৰাটোৰ সৈতে) প্ৰাচীন হʼলেও ই আজিৰ লগত সমকালীনতা দাবী কৰিব পাৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri



চিত্ৰ ৩৮ ॥ তৰংগভংগীৰ লতা, মহাদেউশাল।

বকুলগুৰিৰ ঋষিগৰাকীৰ ৰূপনিৰ্মাণ হৈছে অগ্নিৰেখাত চিত্ৰ ৯)। ৰূপবন্ধৰ লগত সমান্তৰাল স্তম্ভবোৰ আৰু ঋষিৰ ওখ দেহাবয়বৰ কাৰণে চিত্ৰখনলৈ বিৰাটত্বৰ (monumentality) অভিব্যঞ্জনা আহিছে।

7921

বুতিকুৰাত পোৱা ব্ৰহ্মৰ মূৰ্তিটোৰ (চিত্ৰ ২৯) তাৰ দেহভংগীত অৰ্বাচিনতাৰ চিন আছে। মূৰ্তিটো মোহিনীৰ। ষোড়শ-সপ্তদশ শতিকামানত বোধহয় মূৰ্তিটো গঢ়া হৈছিল।

কাৱৈমাৰীৰ সাধকজন (চিত্ৰ ৬) স্থানীয় কোনো চহা শিল্পীৰ কাম হ'ব পাৰে। হাত দুখন স্থকীয়াকৈ লগাই দিয়াৰ নিচিনা, দেহকাণ্ড সৰু ল'ৰা-ছোৱালীৰ কামৰ দৰে। চুঙাৰলেখীয়া মূৰ, অতি ডাঙৰ নাক, উন্মুক্ত যৌনাংগৰে ইয়াৰ ৰূপনিৰ্মাণ সৰল অভিব্যক্তিধৰ্মী। আকাশীগংগাৰ দুৱাৰ এখনত থকা নৃত্যৰত গণেশৰ ৰূপনিৰ্মাণ (চিত্ৰ ৩০) এই মূৰ্তিটোতকৈ সামান্য উন্নত যদিও বৰ ওচৰচপা ধৰণৰ। গণেশ-মূৰ্তিটোক চতুৰ্ভূজ আৰু আয়ুধৰে শাস্ত্ৰীয় অনুমোদন দিয়া হৈছে।

পোৰামাটিৰ ভাস্কৰ্যয়ো কছাৰীপৰীয়া শিল্পীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। সদ্যহতে টিলা খান্দি উলিওৱা ন নাথৰ মন্দিৰ এটাৰ ইটাৰ বেৰত এনে ভাস্কৰ্য ভালেখিনি পোৱা হৈছে। বিষ্ণুৰ ভিন ভিন অবতাৰ, নটৰাজ শিৱ, গণেশ আদি দেৱতাৰ পৰা আৰম্ভ কৰি ভয়ানক আকৃতিৰ জীৱ, চৰাই-চিৰিকতি, গছ-বন, বাদ্য-বাদক আদি সমাজৰ বিভিন্ন দিশ ভাস্কৰ্যবোৰে ধৰি ৰাখিছে (চিত্ৰ ৩১, ৩২, ৩৩)। মাটিৰ তলত বহুযুগ, সোমাই থকাৰ কাৰণে মূৰ্তিবোৰৰ সৰহখিনিয়েই চিনিব নোৱৰা হৈ পৰিছে। ঢোলবাদক আৰু নটৰাজ আদি দুটামান মূৰ্তিত দেখিবলৈ পোৱা মতা ওৰাত দিয়া ভৰি (চিত্ৰ ৩২) আৰু সাধনাত বহি থকা মানুহজনৰ আসনখনৰ আৰ্হি মধ্যযুগৰ যেন লাগে। যিয়েই হওক পোৰামাটিৰ ভাস্কৰ্যবোৰেও বস্তুসৌন্দৰ্যৰ প্ৰতি সমাজৰ ধাৰণা আৰু ৰুচিবোধৰ চিনাকি দিয়ে। ☐☐

Ca...
Tag etc.
Checked
Any Other

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কপিলীপাৰ কছাৰীপাৰ

ড° নৰেন কলিতা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar